সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা


Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,৪৬ সংখ্যা,২৯ কাতি, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 46 Date of Publication- 16 November 2025 Rs. 10.00/-

## তেজপুৰত ২৪জন সন্দেহযুক্ত নাগৰিকক আটক



ৰঙিলী বাৰ্ত্তাসেৱা- তেজপুৰত পুনৰ সন্দেহজনক নাগৰিক আটক। শনিবাৰে বিয়লি তেজপুৰ চহৰত সন্দেহজনকভাৱে বিচৰণ কৰি থকা ২৪জন সন্দেহজনক লোকক আৰক্ষীয়ে আটক কৰে। তেজপুৰৰ ৰাজ্যিক পৰিবহণ নিগমৰ আস্থানৰ সমীপত বয়বস্তুসহ ৰৈ থকা অৱস্থাত এইসকল লোকক দেখি একাংশ স্থানীয় লোকৰ মাজত সন্দেহ ওপজে আৰু এই বিষয়ে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে তেওঁলোকক সোধা-পোছাৰ বাবে তেজপুৰ সদৰ থানালৈ আনে। উল্লেখ্য যে তেওঁলোকে নিজকে জম্মুৰ বাসিন্দা বুলি পৰিচয় দিছে। লগতে জম্মুৰ পৰা গুৱাহাটীলৈ আৰু গুৱাহাটীৰ পৰা বাছেৰে আহি তেজপুৰত উপস্থিত হয় বুলি প্ৰকাশ কৰিছে। আনহাতে, তেজপুৰ আৰক্ষীয়ে এইসকল লোকৰ যাৱতীয় তথ্যপাতি পৰীক্ষা কৰিছে যদিও তেওঁলোকৰ হাতত অৰুণাচল প্ৰদেশলৈ যাব পৰাকৈ প্ৰয়োজনীয় আন্তঃৰাজ্যিক ( দহ পৃষ্ঠাত চাওক)

## কোকৰাঝাৰত ৩০ বিঘা ভূমিত হ'ব জুবিন গাৰ্গ উদ্যান



ৰঙিলী বাৰ্ত্তাসেৱা- অহা ১৮ নৱেম্বৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰিবলৈ বিটিচি প্ৰশাসনে ব্যাপক ( দহ পৃষ্ঠাত চাওক)

## ২০২৭ চনত অসমলৈ অনা হ'ব বৃন্দাবনী বস্ত্ৰঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- গুৰুজনাৰ অপূৰ্ব সৃষ্টি আপুৰুগীয়া বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে শনিবাৰে লণ্ডন অভিমুখে ৰাওনা হৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ ক্ষেত্ৰত লণ্ডন মিউজিয়ামৰ সৈতে হ'ব লগা আলোচনাত অংশগ্ৰহণৰ বাবে দুদিনীয়া কাৰ্যসূচীৰে লণ্ডনলৈ উৰা মৰাৰ পূৰ্বে ফেচবুক লাইভযোগে বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পদক্ষেপ সন্দৰ্ভত বিস্তৃত বৰ্ণনা কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৃন্দাবনী বস্ত্ৰ অনাৰ প্ৰসংগত উল্লেখ কৰে যে পোন্ধৰশ শতিকাৰ শেষৰফালে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৰনাৰায়ণৰ অনুৰোধত বৃন্দাবনী বস্ত্ৰ সাজি উলিয়াইছিল। এই বৃন্দাবনী বস্ত্ৰখন আমাৰ অসমৰ ইতিহাসৰ সভত্যাৰ এক অমূল্য অংগ। আমি বহুতে বৃন্দাবনী বস্ত্ৰৰ বিষয়ে শুনিছো আৰু পঢ়িছো। ইয়াৰ ছবিও দেখিবলৈ পাইছো। কিন্তু অসমৰ কোনো এটা প্ৰজন্মই এই বৃন্দাবনী বস্ত্ৰখন স্বচক্ষে ( দুই পৃষ্ঠাত চাওক)

## জম্মু- কাশ্মীৰৰ থানাৰ ভিতৰত জব্দকৃত বিস্ফোৰকৰ বিস্ফোৰণত ৯ আৰক্ষী-বিশেষজ্ঞ নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- দিল্লী বিস্ফোৰণ কাণ্ডৰ তদন্তৰ মাজতে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ নৌগাম থানাত নিশা ভয়ংকৰ বিস্ফোৰণৰ ঘটনা সংঘটিত হয়। এই পদাৰ্থ বিস্ফোৰণৰ ফলত ৯জন আৰক্ষী আৰু ফৰেনছিক বিশেষজ্ঞ নিহত হোৱাৰ লগতে অতিকমেও ৩২জন লোক আহত হয়। এই বিস্ফোৰিত এমোনিয়াম নাইট্ৰেট পদাৰ্থখিনি ফৰিদাবাদত হাৰিয়ানা, উত্তৰ প্ৰদেশ আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া ( তিনিপৃষ্ঠাত চাওক)

## শৰাইঘাট কলেজত আন্তঃশিক্ষানুষ্ঠান তৰ্ক প্ৰতিযোগিতা

ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত আন্তঃশিক্ষানুষ্ঠান তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত লগতে প্ৰাক্তন ছাত্ৰ সন্মিলনী আৰু ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা শৰাইঘাট মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি হৰেশ্বৰ নাথৰ সোঁৱৰণত এই প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হয়। 'সামাজিক মাধ্যমে যুৱ প্ৰজন্মৰ বৌদ্ধিক উত্তৰণত সহায় কৰিছে' শীৰ্ষক বিষয় বস্তুক লৈ অনুষ্ঠিত এই প্ৰতিযোগিতাখনৰ অধ্যক্ষ আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিদুলা শৰ্মা আৰু বিচাৰকৰ আসনত থাকে কৌশল বিকাশ মিছিল, অসমৰ সহঃসঞ্চালক পিংকু চৌধুৰী, গুৱাহাটী উচ্চন্যায়ালয়ৰ অধিবক্তা উমি ( দুই পৃষ্ঠাত চাওক)

## শীঘ্ৰে ৪, ৫০০টা নিম্ন প্ৰাথমিক-উচ্চ প্ৰাথমিক শিক্ষকৰ পদত হ'ব নিযুক্তি

ৰঙিলী বাৰ্ত্তাসেৱা- অতি শীঘ্ৰে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ খালী হৈ থকা শিক্ষক পদত দিয়া হ'ব নিযুক্তি। শেহতীয়াকৈ শিক্ষক পদৰ বাবে হৈ যোৱা পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছত ৪, ৫০০টা পদত নিযুক্তি দিয়াৰ বাবে শিক্ষা বিভাগে প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে প্ৰকাশ কৰা অনুসৰি অহা ১৭ নৱেম্বৰত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণৰ কাম আৰম্ভ হ'ব। উল্লেখ্য যে নিম্ন প্ৰাথমিকত ২, ৯০০ আৰু উচ্চ প্ৰাথমিকত ১, ৬০০ পদৰ বিপৰীতে চলিত বৰ্ষৰ জানুৱাৰী মাহতে বিজ্ঞাপন প্ৰকাশ হৈছিল। প্ৰায় ৪২ হাজাৰ চাকৰিপ্ৰত্যাশীয়ে আবেদন কৰাৰ পাছত ৪, ৫০০ পদৰ বিপৰীতে প্ৰাৰ্থী বাছনি কৰা হৈছিল। ১৭ নৱেম্বৰৰ পৰা এই উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ ( দহ পৃষ্ঠাত চাওক)


# ইডেন গাৰ্ডেনত চলি থকা প্ৰথমখন টেষ্টৰ দ্বিতীয় দিনা ১৫টা উইকেটৰ পতন




ৰঙিলী বাৰ্তাসেৱা- ঘৰুৱা দল টীম ইণ্ডিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ইডেন গাৰ্ডেনত চলি থকা প্ৰথমখন টেষ্টৰ দ্বিতীয় দিনা ১৫টাকৈ উইকেটৰ পতন ঘটে। দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছৰ ১৫৯ ৰানৰ প্ৰত্যুত্তৰত ভাৰতে প্ৰথম দিনা ১ উইকেটত কৰা ৩৭ৰানৰ পৰা ইনিংছ মুকলি কৰিবলৈ আহি দক্ষিণ আফ্ৰিকাৰ ছাইমন হাৰ্মাৰ আৰু মাৰ্কো জানছেনৰ দুৰ্দান্ত বলিঙৰ সন্মুখত বেটিং বিপৰ্যয়ৰ সন্মুখীন হয়। জানছেন আৰু হাৰ্মাৰৰ চমকপ্ৰদ বলিঙৰ সন্মুখত ভাৰতীয় দলটোৰ কোনো এজন বেটাৰে ক্ৰিজত অধিক সময় তিষ্ঠিব নোৱাৰিলে। আগদিনা ১৩ ৰানত অপৰাজিত হৈ থকা লোকেশ ৰাহুলে ভাৰতীয় দলটোৰ হৈ সৰ্বাধিক ৩৯ ৰান কৰে। ৰাহুলে ১১৯টা বলত সন্মুখীন হৈ ৪টা চাৰি আৰু ১টা ছয়েৰে ৩৯ ৰানৰ অৱদান আগবঢ়ায়। ইফালে আগদিনা ৬ ৰানত অপৰাজিত হৈ থকা বাশ্বিংটন সুন্দৰে ঘৰুৱা দলটো হৈ দ্বিতীয় সৰ্বাধিক ৰান কৰে। সুন্দৰে ২৯ ৰানত বিদায় লয়। ঋষভ পণ্টে ২৭, ৰবীন্দ্ৰ জাডেজাই ২৭, অক্ষৰ পেটেলে ১৬ আৰু ধ্ৰুৱ জুৰেলে ১৪ ৰানৰ অৰিহণা আগবঢ়ায়। অধিনায়ক শুভমন গিলে ৪ ৰানত ৰিটায়াৰ্ড হাৰ্ট হয়। ভাৰতীয় দলটোৱে ৬২.২ অভাৰত ১৮৯ ৰানত প্ৰথম ইনিংছ সামৰে আৰু ৩০ ৰানৰ অগ্ৰগতি লাভ কৰে। ইফালে দ্বিতীয় ইনিংছ মুকলি কৰিবলৈ আহি ঘৰুৱা দলটোৰ দুই তাৰকা স্পীনাৰ ৰবীন্দ্ৰ জাদেজা আৰু কুলদীপ যাদৱৰ দুৰ্দান্ত স্পীন বলিঙৰ সন্মুখত বেটিং বিপৰ্যয়ৰ সন্মুখীন হয় দক্ষিণ আফ্ৰিকা। আলহী দলটোৱে দ্বিতীয় দিনৰ খেলৰ অন্তলৈকে ৭টা উইকেট হেৰুৱাই মাত্ৰ ৯৭ ৰান সংগ্ৰহ কৰিছে। অধিনায়ক টেম্বা বাভুমাই

*(দহ পৃষ্ঠাত চাওক)*

# কৰ্ণাটকত ২৮টা কৃষ্ণ মৃগৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- ৰহস্যজনকভাৱে কৰ্ণাটকৰ বেলাগাবি চিৰিয়াখানাত বিগত তিনি দিনত ২৮টা কৃষ্ণ মৃগৰ মৃত্যু হৈছে। তথ্য অনুসৰি চিৰিয়াখানাখনত ৪-৬ বছৰ বয়সৰ ৩৮টা কৃষ্ণ মৃগ আছিল। বৃহস্পতিবাৰে পুৱা ইয়াৰে ৮টা কৃষ্ণ মৃগক মৃত অৱস্থাত উদ্ধাৰ কৰা হৈছিল আৰু শনিবাৰে পুনৰ ২০টা কৃষ্ণ মৃগক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। ২৮টা কৃষ্ণ মৃগৰ মৃত্যুৰ পিছতে চিৰিয়াখানাখনত চাঞ্চল্যৰ সৃষ্টি হৈছে। এতিয়ালৈকে কৃষ্ণ মৃগকেইটাৰ মৃত্যুৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও বেক্টেৰিয়াৰ সংক্ৰমণৰ ফলতে মৃত্যু হোৱাৰ আশংকা কৰা হৈছে। অন্তৰ্নিহিত নমুনাৰ পৰীক্ষাগাৰত পৰীক্ষাৰ প্ৰতিবেদন পোৱাৰ পিছতহে ইয়াৰ সঠিক কাৰণ জানিব পৰা যাব।

# সাধাৰণ জনতাৰ ক্ষোভৰ উদ্‌গীৰণৰ ফলত শুল্ক হ্ৰাস ট্ৰাম্প প্ৰশাসন



ৰঙিলী বাৰ্তাসেৱা- অন্য দেশৰ ওপৰত শুল্ক বৃদ্ধিৰে মাধমাৰ শোধাই এতিয়া নিজ দেশতে মুদ্ৰাস্ফীতি চৰম পৰ্যায় পাইছেগৈ আমেৰিকাত। এই লৈ সাধাৰণ জনতাৰ মাজত ক্ষোভৰ উদ্‌গীৰণ হোৱাৰ ফলত শুল্ক হ্ৰাস কৰিবলৈ একপ্ৰকাৰ বাধ্য হৈ পৰিল ট্ৰাম্প প্ৰশাসন। ভাৰতীয় সময় অনুসৰি শুক্ৰবাৰে নিশাৰে পৰা দেশখনৰ ২০০ৰো অধিক খাদ্যসামগ্ৰীৰ শুল্ক হ্ৰাস কৰাৰ কথা ঘোষণা কৰা হৈছে। দৈনন্দিন প্ৰয়োজনীয় এই সামগ্ৰীৰ ব্যয় বৃদ্ধিৰ বাবে শেহতীয়াকৈ আমেৰিকান নাগৰিকসকলৰ মাজত বৃদ্ধি পোৱা অসন্তুষ্টিৰ সৈতে মোকাবিলা কৰাৰ বাবে ট্ৰাম্প প্ৰশাসনে এই সিদ্ধান্ত লোৱা বুলি অনুমান কৰা হৈছে। খবৰ অনুসৰি চৰকাৰে আৰোপ কৰা অতিৰিক্ত শুল্কৰ বাবেই মুদ্ৰাস্ফীতি বৃদ্ধি হোৱাৰ অভিযোগ উত্থাপন হৈছিল। ইয়াৰ বিপৰীতে ট্ৰাম্প প্ৰশাসনে সদায় সেই দাবী খণ্ডন কৰি শুল্ক বৃদ্ধিৰ সপক্ষেহে মাত মাতি আহিছিল। ইফালে ট্ৰাম্প প্ৰশাসনে ঘোষণা কৰা নতুন বাণিজ্য চুক্তিৰ কাঠামো যদি চূড়ান্ত কৰা হয় তেন্তে আৰ্জেন্টিনা, ইকুৱেডৰ, গুৱেটামালা আৰু এল ছালভাডৰৰ পৰা আমদানি কৰা খাদ্য আৰু অন্যান্য সামগ্ৰীৰ ওপৰত শুল্ক হ্ৰাস পাব। চলিত বছৰৰ শেষ ভাগত আমেৰিকাই বহু দেশৰ সৈতে চুক্তি স্বাক্ষৰ কৰাৰ পৰিকল্পনা কৰিছে। উল্লেখ্য যে চলিত বৰ্ষৰ আৰম্ভণিতে পুনৰ ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছত ট্ৰাম্পে বহু দেশৰ সৈতে শুল্ক নীতিক লৈ খেলা কৰি

# শৰাইঘাট কলেজত

ডেকা বৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ প্ৰাক্তন শ্ৰেষ্ঠ তাৰ্কিক মুন তালুকদাৰ। উল্লেখ্য যে অসমৰ ভিন্ন প্ৰান্তৰ পৰা ১৫খন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ ২৫গৰাকী প্ৰতিযোগীয়ে ইয়াত অংশগ্ৰহণ কৰে। অসমীয়া বিভাগৰ অধ্যাপক ড° ধনেশ্বৰ কলিতাই আঁত ধৰা অনুষ্ঠানটোত শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই প্ৰয়াত হৰেশ্বৰ নাথৰ জীৱন আৰু মহাবিদ্যালয়খনলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে আলোকপাত কৰাৰ সমান্তৰালকৈ প্ৰতিযোগীসকলক শুভেচ্ছা জ্ঞাপন কৰে। প্ৰয়াত হৰেশ্বৰ নাথৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে পত্নী প্ৰণতি নাথৰ লগতে অধ্যক্ষ আৰু অধ্যাপকসকলে। ইপিনে তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলীয় প্ৰথম পুৰস্কাৰ লাভ কৰে অসম ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ মোজাহিদুল ইছলাম আৰু জনঞ্জয় দেৱ দলে। দ্বিতীয় দলীয় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰে জে বি আইন মহাবিদ্যালয়ৰ অভিলাষ কাশ্যপ আৰু গৌৰৱ কাশ্যপৰ দলে। তৃতীয় শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰে অসম চিকিৎসা মহাবিদ্যালয়, ডি ব্ৰুগড়ৰ চাইনী ভূএগ্ৰা আৰু সৃষ্টি বৰুৱাৰ দলে। শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা লাভ কৰে মোজাহিদুল ইছলামে আৰু দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ একক বঁটা লাভ কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰাজ্ঞানজোতি ডেকাই। বঁটাসমূহ বিতৰণ কৰে পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথ, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° জিতুল আলী, অধ্যক্ষ মণি শৰ্মা, অধ্যাপক-অধ্যাপিকা ক্ৰমে প্ৰসন্ন মেধি, ড° মৌচুমী মহন্ত, কাকলি বৰা, ড° ভানু হাজৰিকা, মীনাক্ষী দেৱী, ড° কণিকা মেধি আদিয়ে।

# ২০২৭ চনত অসমলৈ অনা

দেখিবলৈ পোৱা নাই। অৱশ্যে লণ্ডনৰ মিউজিয়ামত অথবা পেৰিছৰ মিউজিয়ামত কিছু লোকে ইয়াক প্ৰত্যক্ষ কৰিছে। সেয়েহে ৰাজ্যবাসীক বৃন্দাবনী বস্ত্ৰক সন্মুখৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ দিবলৈ ৰাজ্য চৰকাৰে এই প্ৰক্ৰিয়া আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এই প্ৰক্ৰিয়াৰ অংশস্বৰূপে লণ্ডন মিউজিয়ামৰ সৈতে অসম চৰকাৰৰ আলোচনা অনুষ্ঠিত হ'ব। জে এছ ডব্লিউৰ স্বত্বাধিকাৰ স্বজ্জন জিন্দালে লণ্ডন মিউজিয়ামৰ সৈতে অসম চৰকাৰক প্ৰত্যক্ষ সংযোগ কৰাই দিয়াত আগভাগ লৈছে। তেওঁলোকে দায়িত্ব লৈছে যে লণ্ডন মিউজিয়ামে বিচৰা ধৰণে অসমতো এটা লণ্ডন মিউজিয়ামৰ পৰিৱেশৰ সৈতে খাপ খোৱা এটা সংগ্ৰহালয় অসমত নিৰ্মাণ কৰিব। এই সংগ্ৰহালয়টোৰ প্ৰয়োজন এই কাৰণে যে ৫০০ বছৰ পুৰণি এখন বস্ত্ৰ যথেষ্ট স্পৰ্শকাতৰ পৰিৱেশত আছে। বৃন্দাবনী বস্ত্ৰভাগ যদি পৰিৱেশ অনুকূল নহয়, জহি-খহি যাব পাৰে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই লণ্ডন মিউজিয়ামৰ সৈতে অনুষ্ঠিত হ'ব বৈঠক। মুখ্যমন্ত্ৰীয়ে কয়- এই বৈঠকত মোৰ লগতে ভাৰতৰ ৰাষ্ট্ৰদূতগৰাকীয়েও অংশগ্ৰহণ কৰিব। সমগ্ৰ বৈঠক সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও খবৰ ৰাখিছে। যদি গুৰুজনাই আশীৰ্বাদ দিয়ে, লণ্ডন মিউজিয়ামৰ সৈতে এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হ'ব। এই বুজাবুজি চুক্তি অনুসৰি ২০২৭ চনত বৃন্দাবনী বস্ত্ৰভাগ অসমলৈ অনা হ'ব। এই চুক্তি অনুসৰি অহা দুবছৰত আমি লণ্ডন মিউজিয়ামৰ আৰ্হিৰ এক সংগ্ৰহালয় অসমত নিৰ্মাণ কৰিব লাগিব। খানাপাৰাৰ ৰেচম বিভাগৰ চৌহদত ইতিমধ্যে এই সংগ্ৰহালয়টোৰ বাবে ভূমি আবণ্টন দিয়া হৈছে সাংস্কৃতিক বিভাগক। স্বজ্জন জিন্দালে এই সংগ্ৰহালয়টো নিৰ্মাণৰ উদ্যোগ ল'ব। কিন্তু মিউজিয়ামটোৰ স্বত্বাধিকাৰ হ'ব ৰাজ্য চৰকাৰ। বৃন্দাবনী বস্ত্ৰভাগ অসমলৈ অনাৰ লগতে দিল্লী-মুম্বাইলৈও লৈ যোৱাৰ প্ৰচেষ্টা চলোৱা হ'ব যাতে দেশৰ অন্য প্ৰান্তেও মহাপুৰুষজনাৰ অমূল্য অৱদানৰ বিষয়ে জানিব পাৰে। অসমীয়া সভ্যতা কিমান চহকী আছিল, তাক যাতে ভাৰতবৰ্ষৰ আন জনগণেও জানিব পাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে বৃন্দাবনী বস্ত্ৰ ৰাখিবলৈ নিৰ্মাণ হ'বলগীয়া সংগ্ৰহালয়টোৰ জৰিয়তে বহু আপুৰুগীয়া সম্পদ অসমত আনি ৰাখিব পৰা হ'ব। একেদৰে অসমৰ পৰাও বিভিন্ন আপুৰুগীয়া সম্পদ দেশৰ বিভিন্ন স্থানৰ সংগ্ৰহালয়লৈ নিয়াৰ সুবিধা হ'ব। ইফালে মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে অহা ১৮ নৱেম্বৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিনটোত সমগ্ৰ ৰাজ্যতে ৰক্তদান শিবিৰ অনুষ্ঠিত হোৱাৰ কথা উল্লেখ কৰে। উক্ত দিনা অসমৰ ৫৩টা স্থানত ৰাজ্যিক বিজেপিৰ উদ্যোগত অনুষ্ঠিত হ'বলগা শিবিৰত লণ্ডনৰ পৰা উভতিয়েই ৰক্তদান কৰিব বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে কয়- এই ৰক্তদান শিবিৰত বিজেপি-অগপ-বিপিএফ-ইউপিপিএলৰ মন্ত্ৰী-বিধায়কসকলৰ লগতে কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰিব। তদুপৰি এই ৰক্তদান শিবিৰত সকলো ধৰণৰ ৰাইজক যোগদান কৰিবলৈ আহ্বান জনালে।

# বিহাৰত এনডিএৰ ছুনামিত বিধ্বস্ত মহাগঠবন্ধন

ৰঙিলী বাৰ্ত্তাসেৱা- বিহাৰত এনডিএৰ ছুনামিয়ে সম্পূৰ্ণ ৰূপে বিধ্বস্ত কৰে বিৰোধীৰ মহাগঠবন্ধনক। বিহাৰৰ ভোটযুদ্ধত ছুনামি সৃষ্টিৰে এনডিএই বিৰোধী মহাগোট বন্ধনক চূৰমাৰ কৰি লাভ কৰিলে অভিলেখসংখ্যক আসন। আৰজেডি-কংগ্ৰেছ-বাঁও শিবিৰৰ মহাগোটবন্ধনক মাত্ৰ ৩৫ আসনতে স্তব্ধ কৰি ৰাখি এনডিএই অতিক্ৰম কৰে ২০০ৰ ঘৰ। লক্ষণীয়ভাৱে এইবাৰৰ বিহাৰৰ নিৰ্বাচনত মিত্ৰদল নীতিশ কুমাৰৰ জেডি (ইউ)ক চেৰ পেলাই বিজেপি পৰিগণিত হৈছে একক বৃহত্তম দল হিচাপে। বিজেপিয়ে পূৰ্বতকৈ ১৫খন অধিক আসন লাভেৰে শক্তিশালী স্থিতি প্ৰদৰ্শনেৰে মুঠ ৮৯টা সমষ্টিত জয়ী-অগ্ৰগতি লাভ কৰিছে। ইয়াৰ বিপৰীতে জেডি (ইউ)-এ জয়ী-আগ্ৰগতি লাভ কৰা সমষ্টিৰ সংখ্যা হ'ল ৮৫টা। নীতিশ কুমাৰৰ দলটোৱে বিগত ২০০০ চনৰ নিৰ্বাচনতকৈ এইবাৰ ৪২খন অধিক আসনত সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। এনডিএৰ অংশীদাৰ হিচাপে এইবাৰৰ নিৰ্বাচনত চমকপ্ৰদ ফলাফল প্ৰদৰ্শন কৰিছে ছিৰাগ পাছোৱানৰ লোক জনশক্তি পাৰ্টী (ৰামবিলাস)এ। দলটোৱে মুঠ ২৯টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে ১৯টাত জয়ী-অগ্ৰগতি লাভ কৰি আছে। সেইদৰে এনডিএৰ আন দুটা অংশীদাৰ দল হাম আৰু আৰএলএমে ক্ৰমে ৫ আৰু ৪খন আসনত প্ৰদৰ্শন কৰিছে নিজৰ শক্তিশালী স্থিতি। অন্যান্যই জয়ী-অগ্ৰগতি লাভ কৰা আসনৰ সংখ্যা ৬খন। এইবাৰ দুটা পৰ্যায়ত বিহাৰত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। যোৱা ৬ নৱেম্বৰত প্ৰথম আৰু ১১ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন সম্পন্ন হোৱাৰ পাছত ১৪ নৱেম্বৰৰ পুৱা ৮ বজাৰ পৰা আৰম্ভ হয় ভোটগণনা প্ৰক্ৰিয়া। উল্লেখ্য যে ৰাজ্যখনত এইবাৰ বিধানসভাৰ নিৰ্বাচনত অভিলেখ সংখ্যক ৬৭.১৩% ভোটদান হৈছিল। ভোটগণনাৰ আৰম্ভণিৰে পৰাই অগ্ৰগতি লাভ কৰে বিজেপি-জেডি (ইউ) তথা এনডিএ শিবিৰ। ইয়াৰ বিপৰীতে অভাৱনীয়ভাৱে পিছপৰি ৰয় কংগ্ৰেছ-আৰজেডি-বাঁও শিবিৰৰ মহাগোটবন্ধন। সেইদৰে প্ৰাক্তন ভোটকুশলী প্ৰশান্ত কিশোৰৰজন সুৰাজ পাৰ্টী প্ৰতিদ্বন্দ্বিতালৈ নাহিল। 'শূন্য'তে সন্তুষ্ট থাকিবলগীয়া হ'ল দলটো। বিহাৰৰ মুঠ ২৪৩টা সমষ্টিৰ ভিতৰত বিজেপি আৰু জেডি



(ইউ)-এ ১০১খনকৈ আসনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিছিল। ইয়াৰ ভিতৰত দল দুটাই ক্ৰমে ৮৯ আৰু ৮৫খন আসনত সফলতা লাভ কৰাটো যথেষ্ট গুৰুত্বপূৰ্ণ। বিহাৰত নিৰ্বাচনী প্ৰচাৰ চলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বাৰম্বাৰ ঘোষণা কৰিছিল যে নীতিশ কুমাৰৰ নেতৃত্বতেই এনডিএই নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। অৱশেষত প্ৰধানমন্ত্ৰী মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে এই ৰণকৌশলক সাকাৰ কৰি তুলিলে। নিৰ্বাচনী (দহ পৃষ্ঠাত চাওক)

# বিহাৰৰ পাছত এইবাৰ পশ্চিমবংগৰ পালঃপ্ৰধানমন্ত্ৰী মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- বিহাৰৰ বিধানসভা নিৰ্বাচনত অভুতপূৰ্ব সফলতা লাভ কৰাৰ পাছতে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নাড্ডাসহ শীৰ্ষ নেতৃত্বই দিল্লীৰ মুখ্য কাৰ্যালয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক উষ্ম আদৰণি জনায়। এই উপলক্ষে দলীয় কাৰ্যকৰ্তাক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে বিৰোধী মিত্ৰজোটক প্ৰত্যক্ষভাৱে আক্ৰমণৰ লক্ষ্য হিচাপে লয়। ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে বিহাৰৰ পাছত এইবাৰ পশ্চিমবংগৰ পাল বুলি কয়। প্ৰধানমন্ত্ৰীয়ে কয়- বিহাৰৰ মাজেৰে গংগা বৈছে বংগলৈ। বিহাৰ হৈছে বংগ জয়ৰ পথ। পশ্চিমবংগৰ ভাই-ভনীসকলক আদৰণি জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে সকলোৱে মিলি এইবাৰ বংগৰ পৰাও জংঘলৰাজ উভালি পেলোৱা হ'ব। অহা বছৰ পশ্চিমবংগত অনুষ্ঠিত হ'ব বিধানসভা নিৰ্বাচন। ইয়াৰ পৰিপ্ৰেক্ষিতত আগন্তুক নিৰ্বাচন বংগ বিজেপিৰ বাবে অগ্নিপৰীক্ষাস্বৰূপ। ইফালে, বিজয়ী ভাষণত প্ৰধানমন্ত্ৰীয়ে (দহ পৃষ্ঠাত চাওক)

# জম্মু- কাশ্মীৰৰ থানাৰ ভিতৰত

অভিযানত জব্দ কৰিছিল। দিল্লী বিস্ফোৰণ কাণ্ডৰে জড়িত মোজাম্মিল ছাকিল আৰু শাহিন ছাহিদৰ জিম্মাৰ পৰা উদ্ধাৰ হৈছিল ২, ৯০০ কেজি বিস্ফোৰক আৰু বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ। উল্লেখ্য যে একেৰাহে কেইবাটাও সৰু সৰু বিস্ফোৰণ সংঘটিত হোৱাৰ ফলত বোমা নিষ্কাশন দলটোৱে তৎক্ষণাত উদ্ধাৰ অভিযান চলাব পৰা নাছিল। উদ্ধাৰ হোৱা বিস্ফোৰকসমূহৰ কিছু অংশ আৰক্ষীৰ ফৰেনছিক লেবত ৰখা হৈছিল যদিও ৩৬০ কেজি বিস্ফোৰকৰ মূল অংশ কাশ্মীৰৰ নৌগাম থানাত মজুত ৰখা হৈছিল। শুক্ৰবাৰে নিশা প্ৰায় ১১:২০ মান বজাত ফৰেনছিকৰ এটা দলে বিস্ফোৰকখিনি পৰীক্ষা কৰিবলৈ গৈছিল। সেই সময়তে বৃহৎ বিস্ফোৰণটো সংঘটিত হয়। পৰীক্ষাৰ সময়তে ঘটা দুৰ্ভাগ্যজনক ঘটনাত ৯জন লোকৰ মৃত্যু হয়। ইফালে আহত লোকসকলক ভাৰতীয় সেনাৰ ৯২ বেচ হাস্পতাল আৰু শ্বেৰ-ই-কাশ্মীৰ ইনষ্টিটিউট অৱ মেডিকেল ছায়েঞ্চত ভৰ্তি কৰা হৈছে। ইফালে আকস্মিক বিস্ফোৰণত নিহত জোৱান আৰু ফৰেনছিক বিশেষজ্ঞসকলৰ প্ৰতি জম্মু-কাশ্মীৰৰ লেঃ জেনেৰেল মনোজ সিনহাই শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। একেদৰে জম্মু-কাশ্মীৰৰ মুখ্য সচিব অটল দুল্লু, 'নিয়া'ৰ সঞ্চালকপ্ৰধান সদানন্দ ডেট, ডিজিপি নলীন প্ৰভাত, সেনাৰ ১৫ কৰ্প'ছৰ জেনেৰেল অফিচাৰ কমাণ্ডিং লেঃ জেনেৰেল প্ৰশান্ত শ্ৰীবাস্তৱকে ধৰি অন্যান্য আৰক্ষী বিষয়াসকলে নিহত জোৱান আৰু বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়।

# ৰাহুল গান্ধী য'তেই যায়, তাতেই বিজেপিৰ জয় হয়ঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- বিহাৰ বিধানসভা নিৰ্বাচনৰ ফলাফলক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই বিজয়ৰ কৃতিত্ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক প্ৰদান কৰিছে। বিজেপি-জনতা দলৰ এই অভাৱনীয় বিজয়ৰ পাছতেই ৰাহুল গান্ধীক তিৰ্যক মন্তব্যৰে পুনৰ সমালোচনা কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিহাৰ ( নপৃষ্ঠাত চাওক)

# নিৰাপত্তাৰক্ষীয়ে বিস্ফোৰণেৰে উৰুৱালে ওমৰৰ বাসগৃহত




ৰঙিলী বাৰ্ত্তাসেৱা- নিৰাপত্তাৰক্ষীয়ে দিল্লী লালকিল্লাৰ বিস্ফোৰণৰ আত্মঘাতী বোমাৰু ওমৰ নবীৰ ঘৰ আইইডি বিস্ফোৰণেৰে উৰুৱাই দিলে। শুক্ৰবাৰে পুলৱামাস্থিত ঘৰটোত নিৰাপত্তাৰক্ষীয়ে বিস্ফোৰণ ঘটায়। ইয়াৰ পূৰ্বে জম্মু-কাশ্মীৰ আৰক্ষীয়ে পেছাত চিকিৎসক ওমৰৰ পৰিয়ালৰ তিনিজনক গ্ৰেপ্তাৰ কৰিছিল। দিল্লী বিস্ফোৰণ কাণ্ডৰ তদন্ত চলি থকাৰ মাজতে ওমৰৰ ঘৰটো ধ্বংস কৰি দিয়া হয়। সোমবাৰে লালকিল্লাৰ সন্মুখত যিখন বাহনত বিস্ফোৰণ সংঘটিত হৈছিল, সেই বাহনখনৰ মালিক আছিল ওমৰ নবী। ( নপৃষ্ঠাত চাওক)

# নূপুৰ বৰাৰ বিৰুদ্ধে ১২৫৪ পৃষ্ঠাৰ অভিযোগনামা দাখিল



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গ্ৰেপ্তাৰ হোৱা নিলম্বিত চক্ৰ বিষয়া নূপুৰ বৰাৰ বিৰুদ্ধে বিশেষ ন্যায়াধীশৰ আদালতত ১২৫৪ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰে। ৫৬ দিন ন্যায়িক জিম্মাত থকা নূপুৰ বৰাক মঙলবাৰে কঠোৰ চৰ্তত জামিন প্ৰদান কৰা হৈছিল যদিও তদন্তকাৰী সংস্থাটোৱে এই জামিনৰ ( নপৃষ্ঠাত চাওক)

# ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত আয়োজিত ৰাজ্যিক কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ। কেবিনেট বৈঠকৰ অন্তত সংবাদ মেলযোগে কেবিনেটৰ সিদ্ধান্ত সমূহ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বা শৰ্মাই সদৰী কৰে। কেবিনেটে অসম মালা আঁচনিৰ তৃতীয় সংস্কৰণত অনুমোদন জনায়। আঁচনিখনৰ এই তৃতীয় সংস্কৰণটোৰ জৰিয়তে ৮৮৩ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবদ ৩, ২১৭ কোটি টকা ব্যয়সাপেক্ষ প্ৰকল্পটোত কেবিনেটে অনুমোদন দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অৱগত কৰে যে কেবিনেটে গুৱাহাটী ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পুনৰ নিৰ্মাণত অনুমোদন জনায়। এই প্ৰকল্পৰ অধীনত ক্ৰীড়াপ্ৰেমীৰ বাবে ২৫ হাজাৰ আসনবিশিষ্ট এখন বিশ্বমানৰ ফুটবল ষ্টেডিয়াম, ( নপৃষ্ঠাত চাওক)

# পাঁচ গৰাকী ব্যক্তিক সন্মান প্ৰদান





ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে বিয়লি অসম প্ৰকাশন ভাৰতীৰ সভাগৃহত পূৰ্বোত্তৰ জনজাতি শিক্ষা সমিতিৰ সংবাদ মেল এখন অনুষ্ঠিত হৈ যায়। উক্ত সংবাদ মেলখনিত উপস্থিত থাকে বিদ্যা ভাৰতীৰ অখিল ভাৰতীয় মন্ত্ৰী তথা জনজাতি শিক্ষাৰ প্ৰভাৰী ব্ৰহ্মাজী ৰাও, পূৰ্বোত্তৰ জনজাতি শিক্ষা সমিতিৰ সভাপতি শ্ৰী বসন্ত আগৰৱাল আৰু সম্পাদক ড° অভিজিত পায়েং। সমগ্ৰঃ উত্তৰ পূৰ্বাঞ্চলৰ জনজাতীয় সমাজৰ মাজত শিক্ষাৰ কাৰ্যত ব্ৰতী পূৰ্বোত্তৰ জনজাতি শিক্ষা সমিতিয়ে উত্তৰ পূৰ্বাঞ্চলত শিক্ষা আৰু সামাজিক ক্ষেত্ৰত ( নপৃষ্ঠাত চাওক)

# ৮, ২০৬গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই




ৰঙিলী বাৰ্ত্তাসেৱা- খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ উচ্চ শিক্ষা সঞ্চালকালয়, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু ৰাজ্যিক শিক্ষা গৱেষণা-প্ৰশিক্ষণ পৰিষদৰ অধীনত ৮, ২০৬গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। ৮২০৬ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ২৬৩গৰাকী প্ৰাৰ্থীক সহকাৰী অধ্যাপক পদত আৰু ১১০গৰাকীক তৃতীয় বৰ্গৰ পদত, মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ১, ২৭৫ গৰাকী স্নাতকোত্তৰ আৰু ৬, ৫২২গৰাকী স্নাতক শিক্ষক পদত, ৰাজ্যিক শিক্ষা গৱেষণা প্ৰশিক্ষণ পৰিষদৰ অধীনত ২৮গৰাকীক জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা পদত আৰু ৮গৰাকীক ৰাজ্যিক শিক্ষা গবেষণা প্ৰশিক্ষণ পৰিষদত সহকাৰী সঞ্চালক পদত নিযুক্তি দিয়া হৈছে। এই নিযুক্তিৰ পিছত বৰ্তমান চৰকাৰৰ কাৰ্যকালত মেধাৰ ভিত্তিত আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে চৰকাৰী চাকৰিত নিযুক্তি পোৱা প্ৰাৰ্থীৰ সংখ্যা ১, ৩৪, ৯৯৯ গৰাকীলৈ বৃদ্ধিপালে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নিযুক্তিপ্ৰাপ্ত যুৱক-যুৱতীসকলে বহু দিনৰ তপস্যাৰ অন্তত এটা লক্ষ্যত উপনীত হৈছেহি। ক'তো এটকাও নিদিয়াকৈ পোৱা চাকৰি এটা প্ৰাপ্তি। এনে প্ৰাপ্তিয়ে আন বহু প্ৰাপ্তিৰ বাট মুকলি ( নপৃষ্ঠাত চাওক)

# দিল্লী বিস্ফোৰণ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট কৰা ১৫ জনক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দিল্লীৰ লালকিল্লাত হোৱা বিস্ফোৰণৰ পিছতে বোমা বিস্ফোৰণৰ ঘটনাক সমৰ্থন কৰি সামাজিক মাধ্যমযোগে আপত্তিজনক পোষ্ট তথা মন্তব্য কৰা লোকসকলৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসম আৰক্ষীয়ে অভিযান চলাই এই পৰ্যন্ত ১৫জন লোকক গ্ৰেপ্তাৰ কৰিছে। বুধবাৰে অসম আৰক্ষীয়ে ৬জন লোকক গ্ৰেপ্তাৰ কৰাৰ পিছত বৃহস্পতিবাৰে আৰু ৯জনক গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মুঠ ১৫জন লোকৰ নামৰ তালিকা প্ৰকাশ কৰি এনেধৰণৰ সমাজ তথা দেশবিৰোধী কাৰ্যকলাপত লিপ্ত থকাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- দিল্লী বিস্ফোৰণৰ পিছত সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট তথা উচটনিমূলক মন্তব্যৰ সৈতে জড়িত হোৱাৰ অপৰাধত সমগ্ৰ অসমতে এতিয়ালৈকে ১৫জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। কালি গ্ৰেপ্তাৰ কৰা ৬জনৰ পিছত নিশাৰ ভিতৰতে আজি বঙাইগাঁৱৰ ৰফিকুল আলী, হাইলাকান্দিৰ ফৰিদউদ্দিন লস্কৰ, লখিমপুৰৰ ইনামূল ইছলাম আৰু ফিৰোজ আহমেদ ওৰফে পাপু, বৰপেটাৰ শাহিন শ্বোমান শিকদাৰ ওৰফে শহিদুল ইছলাম আৰু ৰকিবুল চুলতান, ( নপৃষ্ঠাত চাওক)

# গোলাঘাটত লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০তম জন্ম জয়ন্তী উপলক্ষে একতা পদযাত্ৰা আয়োজন




ৰঙিলী বাৰ্ত্তাসেৱা- লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০তম জন্ম জয়ন্তী উদযাপন উপলক্ষে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি আৰু গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত অলপতে গোলাঘাটত এটি একতা পদযাত্ৰা আয়োজন কৰা হয়। পুৱা ৯ বজাত গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰাংগণৰ পৰা আৰম্ভ হোৱা পদযাত্ৰাটো কাজিৰঙা লোকসভা সমষ্টিৰ মাননীয় সাংসদ শ্ৰী কামাখ্যা প্ৰসাদ তাছা ডাঙৰীয়াই ফ্লেগ অফ কৰে। পদযাত্ৰাত জিলা আয়ুক্ত গৰাকী, জ্যেষ্ঠ জিলা ( নপৃষ্ঠাত চাওক)

# মামণি ৰয়ছম গোস্বামীৰ ব্যক্তিত্ব আৰু কৃতিত্ব

বন্দিতা শৰ্মা কন্দলি,
দেৰগাঁও



অসমীয়া ভাষা-সাহিত্যৰ নভোমণ্ডলৰ এটি প্ৰোজ্জ্বল নক্ষত্ৰসদৃশ, ভাৰতীয় সাহিত্য জগতৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা বিজয়ী, মানৱ দৰদী, গভীৰ ব্যক্তিত্বৰ অধিকাৰী মামণি ৰয়ছম গোস্বামীৰ জন্ম হৈছিল ১৯৪২ চনৰ ১৪ নৱেম্বৰত। বিশিষ্ট শিক্ষাবিদ উমাকান্ত গোস্বামী আৰু অম্বিকা দেৱীৰ কন্যা মামণি ৰয়ছম গোস্বামীৰ প্ৰকৃত নাম ইন্দিৰা গোস্বামী। কামৰূপ জিলাৰ আমৰাংগা সত্ৰৰ সত্ৰাধিকাৰ পৰিয়ালত জন্মগ্ৰহণ কৰা মামণি ৰয়ছম গোস্বামীয়ে সৰ্বস্তৰৰ মানুহৰ মমত্ববোধ উপলব্ধি কৰিব পাৰিছিল। তেৰেঁই হৈছে অসম তথা উত্তৰ-পূব ভাৰতৰ প্ৰথম গৰাকী মহিলা সাহিত্যিক, যিগৰাকীয়ে 'জ্ঞানপীঠ'ৰ দৰে বিৰল সন্মানৰ অধিকাৰী হ'বৰ যোগ্যতা অৰ্জন কৰিছিল। তেওঁ কেৱল অসমবাসীৰে গৌৰৱ নহয় বৈবাহিক সূত্ৰে কৰ্ণাটকৰ বোৱাৰী হোৱাৰ বাবে কানাড়ী সমাজেও তেওঁক তেওঁলোকৰ অষ্টমগৰাকী 'জ্ঞানপীঠ'বিজয়িনী বুলি গৌৰৱ অনুভৱ কৰে। স্বকীয় প্ৰতিভা আৰু অদম্য সাহসেৰে সাহিত্য জগতত প্ৰেম আৰু মানৱতাৰ জয়গান গাই অসমীয়া জাতিটোক বিশ্বদৰবাৰত পৰিচয় কৰাই দিয়া মামণি ৰয়ছম গোস্বামী উত্তৰ পুৰুষৰ বাবে এক মহৎ অনুপ্ৰেৰণা, সাহস, ত্যাগ, আদৰ্শ আৰু ধৈৰ্যৰ প্ৰতীক।

সাহিত্যৰ ক্ষেত্ৰখনত সৰ্বাধিক খ্যাতি লাভ কৰা সাহিত্যিক গৰাকীয়ে ১৯৫০ চনত লতাশিল প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি শ্বিলঙৰ 'পাইন মাউণ্ট স্কুলৰ পৰা প্ৰাথমিক শিক্ষা সমাপ্ত কৰি ১৯৫৭ চনত গুৱাহাটী তাৰিণী চৰণ চৌধুৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত নাম লিখাইছিল। ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে এম এ পাছ কৰি তেওঁ গৱেষণাৰ কামত অগ্ৰসৰ হয়। ১৯৬৫ চনৰ অক্টোবৰ মাহত মহীশূৰৰ মাধৱেন ৰয়ছম আয়েংগাৰৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি যুগ্ম জীৱনৰ পাতনি মেলিছিল যদিও ১৯৬৭ চনৰ ১৫ এপ্ৰিলত কাশ্মীৰত সংঘটিত এক জীপ গাড়ীৰ দুৰ্ঘটনাত আয়েংগাৰৰ মৃত্যু হয়। জীৱনৰ এনে বিষাদময় অৱস্থাৰ উপশম পাবলৈ তেওঁ সাহিত্যক আশ্ৰয় কৰি লৈছিল। প্ৰজ্ঞাৰ সাধকগৰাকীৰ কাপ মৈলামেৰে নিগৰিছিল ন ন বিনন্দীয়া সৃষ্টি। তেওঁৰ সৃষ্টি-ৰাজিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি বিশ্বদৰবাৰত ভাষা-সাহিত্যৰ পৰিচয়ৰে অগাধ পাণ্ডিত্যৰ পৰিচয় দাঙি ধৰিছিল। তেওঁ আছিল একাধাৰে কবি, লেখক, সম্পাদক, অধ্যাপিকা, সমাজকৰ্মী।

১৯৬৮ চনত মামণি ৰয়ছমে গোৱালপাৰাৰ সৈনিক স্কুলত শিক্ষয়িত্ৰী ৰূপে কৰ্মজীৱন আৰম্ভ কৰে। ১৯৬৯ চনত গৱেষণাৰ বাবে বৃন্দাবনলৈ যায়। ১৯৭১ চনৰ পৰা দিল্লী বিশ্ব-বিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত অসমীয়া বিষয়ৰ অধ্যাপিকা হিচাপে নিযুক্তি লাভ কৰি শেষত বিভাগীয় মুৰব্বী হিচাপে দায়িত্ব পালন কৰি অৱসৰ লয়। ১৯৭৩ চনত 'তুলসী দাসৰ ৰামচৰিত মানস আৰু মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ: এটি তুলনামূলক অধ্যয়ন' শীৰ্ষক বিষয়ত অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ অধীনত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্ৰী লাভ কৰে। ২০০০ চনত ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ডি লিট ডিগ্ৰী লাভ কৰে। ৰূপে- গুণে সমতুল্য মামণি বাইদেউৰ অসাধাৰণ ব্যক্তিত্ব আৰু কৃতিত্বই জনগণক মুগ্ধ কৰি ৰাখিছে। তেওঁৰ অসাধাৰণত্ব প্ৰকাশ পাইছিল যেতিয়া ১৯৬৮ চনৰ নীলাচল কাকতৰ সম্পাদক হোমেন বৰগোহাঞিৰ অনুৰোধমৰ্মে আত্মজীৱনী লিখি সাপ্তাহিক কাকতত প্ৰকাশ পাইছিল। বিশিষ্ট সাংবাদিক কীৰ্তিনাথ হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত 'নতুন অসমীয়া' কাকতৰ জৰিয়তে মাত্ৰ ১৩ বছৰ বয়সতে সাহিত্যৰ জগতত খোজ পেলোৱা মামণি বাইদেউৰ প্ৰথম গল্প সংকলন 'চিনাকি মৰম'প্ৰকাশ পায় ১৯৬২ চনত। বাইদেউৰ কলমে জিৰণি লোৱা নাছিল, তাৰ পিছত ক্ৰমে কইনা(১৯৬৬), হৃদয় এক নদীৰ নাম(১৯৯০), মামণি ৰয়ছমৰ নিৰ্বাচিত গল্প (১৯৯৮), মামণি ৰয়ছমৰ প্ৰিয় গল্প (১৯৯৮)। উপন্যাস সমূহৰ ভিতৰত 'চেনাবৰ স্ৰোত' (১৯৭২), 'নীলকণ্ঠী ব্ৰজ', 'অহিৰণ', 'মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস ', 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', 'ঈশ্বৰী জখমী যাত্ৰী ', 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা ', 'ছিন্নমস্তাৰ মানুহটো'আদি উপন্যাসৰ উপৰি জীৱনীমূলক গ্ৰন্থ, অনুবাদ গ্ৰন্থ, গৱেষণা গ্ৰন্থ, সম্পাদনা কৰা গ্ৰন্থ, কেইবাখনো ইংৰাজী গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা ৰচনাসমূহ ইংৰাজী, হিন্দী, নেপিলী, তেলেগু, কানাড়া, বাঙালী, মাৰাঠী ভাষালৈয়ো অনূদিত হৈছে। বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত ভাগ লৈ, বিভিন্ন বঁটা -সন্মান অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

তেওঁৰ সাহিত্যকৰ্ম সমূহে সাধাৰণ মানুহৰ বাস্তৱ জীৱনৰ কঠোৰ সত্য প্ৰতীয়মান কৰিলেও তেওঁৰ প্ৰকাশভংগী অত্যন্ত সংবেদনশীল আৰু সচেতন। তেওঁৰ এটা সাক্ষাৎকাৰত নিজৰ সৃষ্টি কৰ্মৰ বিষয়ে কয়

"যিহেতু বিষয়বস্তু ৰুক্ষ, কাব্যিক ভাষা প্ৰয়োগ কৰিবই লাগিব। মাকে সন্তানক দিয়াৰ দৰেই ইয়াক ৰক্ষণাবেক্ষণ দিব লাগিব। মোৰ গল্প হৈছে কঠোৰ বাস্তৱক লৈ লিখা, কিন্তু মই ইয়াক সাহিত্যলৈ ৰূপান্তৰিত কৰি পেলাওঁ, অন্যথা ই এখন প্ৰচাৰ পত্ৰিকাহে হ'বগৈ। তাৰবাবে নিজে শিল্পী হ'ব লাগিব, এজন মহান শিল্পী, অন্যথা জনতাই ইয়াক নপঢ়িব"' এক বিচিত্ৰ বৰ্ণিল জীৱনৰ অধিকাৰী মামণি বাইদেৱে ২০১১ চনৰ ২৯ নৱেম্বৰত জীৱন নাটৰ সামৰণি মাৰি লেখন স্পৃহা, ধৈৰ্য আৰু সাহসেৰে দেখুৱাই যোৱা জীৱনাদৰ্শ যুগে যুগে নাৰী সমাজৰ প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

# আমাৰ গাঁওৰ পিছত বাট


ছোমেৰ আলী,শালমাৰা, ধুবুৰী



আমাৰ গাঁওৰ পিছত বাট
আবেলিত হয় বজাৰ-হাট,
গাঁৱৰ মানুহে লগায় মাত-
ইয়াতেই মাগে জীৱনৰ গান,
শব্দ হানে গাত।
আমাৰ গাঁওৰ পিছত বাট,
ঘোঁৰাৰ ৰথ কৰে 'কট্-কট্',
আকৌ শব্দ তাৰ 'খট্-খট্',
গোটেই দিন মুখে পেটে নাখায় ভাত।
ইয়াতেই গায় পুৰা-সন্ধিয়াৰ গান,
দুবেলি দুমুঠি খাই,
আমি জীয়াই থাকোঁ ভাই-
সদায় আৰাম কৰোঁ বিৰাম,
চিনছাপ নাইকিয়া কৰোঁ।

# নিজানত

মীৰা কোঁৱৰ



নিজানত বহি
নিজেই নিজকে
প্ৰশ্ন কৰোঁ
দুখ বোৰ বাঢ়ি অহা দুখতে
কিমান দিন
সহিব পাৰিম অন্য এটা দুখ
মূৰৰ পৰা ভৰিলৈকে
বগুৱা বাই ফুৰে
নিতৌ এটি এটি দুখ
শিতানত উমলি থাকি
উজাগৰে যাপন কৰিবলৈ জীৱন
বাধ্য কৰে পুনৰ অন্য এটি দুখে
মোৰ চকুলোৰ চিয়াঁহীৰে
নিজানত দুখৰ বুৰঞ্জী লিখা দেখি
গাতে গা লগাই থকা দুখবোৰে
প্ৰাণ খুলি কথা পাতে
প্ৰেমিকৰ দৰে মোৰ নিচেই কাষতে বহি
হাঁহি হাঁহি চাই থাকে মোৰ লৈকে
প্ৰশ্ন কৰে, কিমান কিমান ???
চকুলোৰে কবিতা লিখিবি
নিজানত বহি নিজেই নিজৰ ??
দুচকুত দেখা পাওঁ তাৰ
অযুত প্ৰশ্ন
আন্ধাৰৰ বুৰঞ্জী লিখি
অন্ত পেলাব পাৰিবি নে কেতিয়াবা।


# পৰ্বতক খুন্দিওৱা বতাহৰ দৰে



**মুজাম্মেল হ'ক,গুৱাহাটী**

কেৱল স্মৃতিবোৰ জীয়াই ৰাখিবলৈ
তেওঁ জীয়াই আছে সপোন ধৰিবলৈ
আত্মীয় নথকা লোক
নুগুচে পেটৰ ভোক
বাটটো আছে নাঙঠ মহানগৰলৈ।
মানুহ পোহৰ শোষণ কৰিব পৰা
তেওঁহে সমাজৰ উজ্বল ভোটা তৰা
যাৰ মিতিৰালি নাই
স্বাৰ্থ ৰক্ষা মাথো চায়
অন্তিমত গম পাওঁ অভংভতৰা।
পৰ্বতক খুন্দিওৱা বতাহৰ দৰে
খাদ্যহীন শিশুৱে তেওঁক বেঢ়ি ধৰে
দেখুৱাই ভাল পায়
চুৰি কৰি ভাগ খায়
সেয়ে কিন্তু শিশুবোৰ বেমাৰত মৰে।


# মই মত্ত



**বিশ্বজিৎ মহন,
ভোলা ক'লনী, শিৱসাগৰ**

মই মত্ত
মাথো মত্ত,
ভোগ বিলাসত মত্ত।
কোন মই
মই নিজকে নিজে চিনি নাপাওঁ।
এক বিংশ শতিকা
মই হেনো
নিউট্ৰন, প্ৰটন আৰু পজিট্ৰনৰ
লগত খেলা কৰো আৰু ভাবোঁ।
সৌ সিদিনাই কৈছিল --
"তোমালোক বোৰে জংঘলতহে থাকা",
আজি মই হাই-টেক সপোনত ঘূৰি
সভ্যতাৰ পোহৰত হাঁহি,
তথাপি অন্তৰ ঘন অন্ধকাৰ
নিজ সত্তা পাহৰি, যি অনন্ত পথচাৰ।

# শিশু সকলৰ প্ৰিয় নেহৰু খুড়া



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

জৱাহৰলাল নেহৰু স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী আছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাত তেখেতৰ গুৰুত্বপূৰ্ণ অৱদান আছে।এগৰাকী ব্যক্তিক যেতিয়া সমগ্ৰ দেশে শ্ৰদ্ধা কৰে তেখেতৰ আদৰ্শ নিশ্চয় উল্লেখনীয়। নেহৰু খুড়া বুলি সকলো শিশুৱে সম্বোধন কৰিছিল। ইয়াৰ একমাত্ৰ কাৰণ তেওঁ শিশুসকলক খুব মৰম কৰিছিল। তেওঁৰ পকেটত এপাহ গোলাপ ফুল সদায় লগতে ৰাখিছিল। শিশু সকলকো ফুলৰ লগত তুলনা কৰিছিল। ভাৰত বৰ্ষৰ সকলো শিশুৱে যাতে শিক্ষাৰ পৰা বঞ্চিত নহয় তেওঁ এই দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই বিষয়ে মহামানৱ মহাত্মা গান্ধীৰ লগত আলোচনাও কৰিছিল। তেওঁ তেতিয়াই অনুভৱ কৰিছিল আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক হ'ব।গতিকে শিশুৰ যত্ন লোৱা আৰু শিশুৰ বিকাশ সাধন হোৱাৰ কাৰণে বিভিন্ন মত বিনিময় কৰিছিল। শিশু সকলৰ লগত বাৰ্তালাপ কৰিবলৈ বিভিন্ন সভা অনুষ্ঠিত কৰিছিল। সেই কাৰণে ১৪নৱেম্বৰ জৱাহৰলাল নেহৰুৰ জন্মদিনটো গোটেই ভাৰতবৰ্ষত" শিশু দিৱস" ৰূপে পালন কৰে।

# মানুহৰ মূল্যবোধ আৰু আধুনিক সমাজ




**পৰীণিতা দেৱী , লক্ষীমপুৰ, বিহপুৰীয়া**

সময় বাগৰি গৈ আছে, আৰু মানুহৰ জীৱন সহজ হৈ গৈছে, কিন্তু এচাম মানুহৰ মানৱতা যেন অলপ অলপকৈ হেৰাই গৈ আছে। তেওঁলোকে সকলো বুজে, কিন্তু হৃদয়ৰ ভাষা বুজিবলৈ যেন প্ৰস্তুত নহয়। যাক বিশ্বাস কৰা হয়, সেই বিশ্বাসে যেন কেতিয়াবা আঘাত দিয়ে, যাক ক্ষমা কৰা হয়, তাক শক্তিশালী বুলি নহয় অথচ দুৰ্বল বুলি বিবেচনা কৰে । কাৰোবাক সহায়ৰ হাত আগবঢ়ালে বিনিময়ত ধন্যবাদৰ সলনি যেন তাক উপহাস হে কৰে। ভাল উপদেশ দিলে, ক'ব বৰ বেছি বুজি পাই! সমান আচৰণ কৰিলে ক'ব চাকৰ স্বভাৱৰ মানুহ আৰু উপকাৰ কৰিলে ক'ব বৰ অহংকাৰী দেই তেওঁ। এইবোৰ আচৰণ আজিৰ সমাজৰ নিঃশব্দ বাস্তৱতা। মানুহৰ জীৱনত এতিয়া যেন এক অদ্ভূত ধৰণৰ ব্যস্ততা আহি পৰিছে, যাৰ বাবে নিজৰ পৰিয়াল, বন্ধু বৰ্গ বা আন কাৰোবাৰ বাবে যেন স্নেহ, সহানুভূতি, কৃতজ্ঞতা এইবোৰ শব্দ যেন মাথোঁ কাগজত হে ৰৈ গৈছে। সময়ৰ অভাৱ হ'বলৈ ধৰিছে। মানুহে মানুহক বিশ্বাস কৰিবলৈ ভয় কৰা হৈছে, কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ লাজ পায়, আৰু সহানুভূতিদেখুৱাবলৈ সঙ্কোচ কৰে। কেতিয়াবা এনেকুৱা অনুভৱ হয় মানুহে মানুহক বেয়া বুজিবলৈ হে বেছি আগ্ৰহী, ভাল বুজিবলৈ নহয়। অথচ মানুহ হোৱাৰ সৌন্দৰ্য হ'ল সঁচা মন, কোমল হৃদয় আৰু একো আশা নকৰি সহায় কৰাৰ ক্ষমতা। জীৱনৰ সাৰ হ'ল মানৱতা। কিন্তু এই মানৱতা যেন এতিয়া ক্ৰমাত হেৰাই গৈছে। তথাপিও আশা আছে যেতিয়া আমি নিজৰ ভিতৰৰ সুকোমল দিশটো পুনৰ জগাই তুলিম, তেতিয়া সমাজ খন পুনৰ বিশ্বাস আৰু মূল্যবোধেৰে পৰিপূৰ্ণ হ'ব। বিশ্বাস, উপকাৰ, ক্ষমা, আৰু সন্মান এইবোৰে মিলি সমাজ খনক সুন্দৰ কৰি তোলে । মানুহৰ জীৱন সঁচাকৈয়ে সফল হ'ব যেতিয়া আমি যান্ত্ৰিকতা আৰু মৰমক একেলগে চলিবলৈ দিম। আজিৰ যুগত মানুহে যান্ত্ৰিক জীৱনৰ পিছে পিছে দৌৰি আছে, কিন্তু এই দৌৰত মনৰ শান্তি হেৰাই গৈছে। সেই বাবে আজিৰ প্ৰজন্মৰ প্ৰয়োজন যাতে নতুন প্ৰজন্মই পুনৰ মানৱতাৰ বাটলৈ ঘূৰি আহি সমাজ খনক পুনৰ মূল্যবোধৰ অলংকাৰ পিন্ধাব পাৰে। যেতিয়া আমি মনৰ কঁপি থকা সুকোমল অংশটোলৈ উভতি চাব শিকিম, তেতিয়াহে আমাৰ সমাজ সঁচাকৈয়ে "মানুহৰ সভ্য সমাজ" হিচাপে বিবেচিত হ'ব।

**অণুগল্প**

# এখন ছবি



**যমুনা দুলু বৈশ্য, শুৱালকুছি**

সত্য, শুদ্ধতাৰে সিক্ত মুক্ত এখন ছবি।

হৃদয় আলোড়িত কৰা, শাশ্বত অন্তৰাত্মক জীয়াই তোলা জীৱনৰ প্ৰেৰনা আৰু আনন্দ -! দিন-ৰাতি স্বৰ্গ, মত্য বুকু জুৰ পেলোৱা ---তুমি যে মোৰ কিমান আপোন ।



জনতাৰ চৰকাৰ
my GOV মেৰী সৰকাৰ
অসম চৰকাৰ
দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ
মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি
শেহতীয়াকৈ স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীলৈ অসম চৰকাৰৰ উদগনি
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
এবছৰলৈ মাহিলি
২,৫০০
টকাকৈ সাহায্য
আবেদনৰ অন্তিম তাৰিখ
৩০ নৱেম্বৰ ২০২৫
JANASANYOG- 3012/25/16-Nov-25
উদ্দেশ্য
চাকৰিৰ সন্ধানৰত শেহতীয়াকৈ স্নাতক উত্তীৰ্ণসকললৈ সাহায্য প্ৰদান কৰা
প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ উৎসাহিত কৰা
স্ব-নিয়োজনৰ পথ সুগম কৰা
অৰ্হতা
অসমৰ ৰাজ্য/কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতী (মুক্ত বিশ্ববিদ্যালয় আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ বাহিৰে)
অসমৰ স্থায়ী বাসিন্দা
হেল্পলাইন: ৮০৯৯৮৯৭২৬৬
ই-মেইল আই ডি: infochiefministersscheme@gmail.com
ৱেবছাইট: dids.assam.gov.in
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# ভাগ্য ওপৰত বিশ্বাস কৰি একো লাভ নাই



**ভাস্কৰ প্ৰিয়ম হাজৰিকা, কৰচুং সত্ৰ, নগাঁও**

জীৱন মানেই এক অবিৰত যাত্ৰা। এই যাত্ৰা আমাৰ জন্ম হোৱাৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যুৰ পৰ্যন্ত চলি থাকে। এই যাত্ৰাত সুখ, দুখ, সফলতা, বিপৰ্যয়, লক্ষ্য, আশা, স্বপ্ন সকলোবোৰ জড়িত হৈ থাকে। আমি দৈনন্দিন জীৱনত বহুক্ষেত্ৰতে পিছলি পৰোঁ কিন্তু আমাৰ জীৱনত একোটা সমস্যা আহিলেই আমি দায়িত্বৰ পৰা মুখ ঘূৰাই "ভাগ্য" নামৰ এটা অদৃশ্য শব্দক দোষ উজাৰি সেই কৰ্মৰ পৰা বাৰেপতি বিচলিত হওঁ। যাৰ ফলত আমাৰ দ্বাৰা একোৱেই সুন্দৰভাৱে সম্পাদনা হৈ নুঠে বৰং আমাৰ মন-মগজুত নেতিবাচক চিন্তাই গাঢ় কৰি আমাৰ কৰণীয় তথা আমাৰ মনটোক গিলি পেলায়। আমি লাহে লাহে নিজৰ মাজত থকা শক্তিখিনিক পাহৰি যাওঁ। এক কথাত ক'বলৈ এয়া এটা আমাৰ জীৱনৰ ডাঙৰ বেমাৰ।

সকলো সময়তে নিজৰ ভাগ্যখনক বিশ্বাস কৰি একো নাই যদিহে আমি নিজৰ কৰ্মত মনোনিৱেশ নকৰোঁ। আমি সকলোৱে ভাগ্যক বিশ্বাস কৰোঁ কিন্তু তাৰ আগতে আমি নিজৰ কৰ্মখিনিত কঠোৰ পৰিশ্ৰম, মনোবলেৰে আগবাঢ়িব লাগিব। প্ৰথমে নিজৰ খেলপথাৰখনত নিজকে এজন দুৰ্দান্ত খেলুৱৈ হিচাপে গঢ় দিব লাগিব। ভাগ্যক বিশ্বাস কৰি একো লাভ নাই যদিহে তুমি নিজৰ কৰ্মখিনি সঠিকভাৱে সম্পাদনা কৰা নাই।

ভাগ্য একো নহয়। ই মাথোঁ সময়, পৰিস্থিতি আৰু সুযোগৰ মিলন। এই তিনিটা মিলন ঘটাবলৈ হ'লে প্ৰথমে তুমি কৰ্ম কৰিব লাগিব আৰু অকল কৰ্ম কৰিলেই নহ'ব লগতে লাগিব কঠোৰ পৰিশ্ৰম, ধৈৰ্য্য একাগ্ৰতা আৰু নিজস্বতা যাতে হাজাৰ বিফল হ'লেও পৃথিৱীৰ কোনো শক্তিৰে তোমাক কেতিয়াও নিজৰ পথৰ পৰা বিচলিত কৰিব নোৱাৰে। যেতিয়ালৈকে কৰ্ম নকৰে তেতিয়ালৈকে ভাগ্য আহিব নোৱাৰে।

এই পৃথিৱীত সকলোতকৈ অসফলতাৰ প্ৰথম বাক্যশাৰী হৈছে "ভাগ্যত নাই চাগে..!" এয়া হৈছে দুৰ্বল মনৰ বাক্য। জীৱন যদি এইশাৰী বাক্য মনলৈ আনিছে আপুনি কেতিয়াও সফল হ'ব নোৱাৰে। আপুনি নিজৰ বিজয়ৰ পতাকাখন নিজৰ হাততেৰে নমাইছে আৰু যুদ্ধখন আৰম্ভণি নকৰা আগতেই নিজেই পৰাজয় স্বীকাৰ কৰিছে। আপুনি যুঁজক বাৰে বাৰে তাৰ ফলাফল আপোনাৰ কৰ্ম, একাগ্ৰতা, ধৈৰ্য্য আদিৰ বলত গম পাব। এনেবোৰ দুৰ্বল বাক্য সদায় জীৱনৰ পৰা পৰিহাৰ কৰক কাৰণ এনে বাক্যই আপোনাৰ মন-মগজুত নেতিবাচক প্ৰভাৱ

(বাৰপৃষ্ঠাত চাওক)

# পৰিৱৰ্তন হৈছে সংসাৰৰ নিয়ম

**উদয়ন চেতিয়া, ধেমাজি**

পৰিৱৰ্তন হৈছে সংসাৰৰ নিয়ম। পৰিৱৰ্তন মানে হৈছে কিবা এটা বেলেগ কৰা। সংসাৰত সকলো বস্তুৰেই পৰিৱৰ্তন হয়। যেনেকৈ এটা শিশু যেতিয়া জন্ম হয়, জন্ম হোৱাৰ পৰা ডাঙৰ হোৱালৈকে শিশুটি বহুতো পৰিৱৰ্তন হয়। শিশুটিৰ অংগসমূহে হওক, দেহটোৱে হওক বা অন্য কিবাহে হওক, শিশুটিৰ সকলোখিনিয়ে পৰিৱৰ্তন হয়।

এনেকৈ সকলো বস্তুৰেই পৰিৱৰ্তন হয়। সংসাৰৰ আন এটা নামেই হৈছে পৰিৱৰ্তন। শিক্ষা বিভাগে হওক চিকিৎসা বিভাগে হওক বা বেলেগ কোনো বিভাগে হওক আজিৰ দিনত সকলোখিনিয়ে পৰিৱৰ্তন হ'ব ধৰিছে। আগৰ দিনতকৈ আজিৰ দিনত সকলো বস্তুৰেই বিকাশ হ'ব ধৰিছে। আজিৰ দিনত প্ৰযুক্তিবোৰো বিকাশ হ'ব ধৰিছে।

আজিৰ চন্দ্ৰায়ন-৩ উদাহৰণ স্বৰূপে ল'ব পাৰো। আজিৰ দিনত প্ৰযুক্তি বহুখিনিয়েই বিকাশ হ'ল আৰু সেই বাবে আজিৰ দিনত চন্দ্ৰায়ন-৩ৰ দৰে প্ৰযুক্তি সহায়ত সফল হ'ল। ভাৰতে চন্দ্ৰায়ন-৩ৰ সফল হোৱাৰ আগতে দুবাৰ চেষ্টা কৰিছিল যদিও সফল হ'বলৈ সক্ষম হোৱা নাছিল।

চাবলৈ গ'লে শিক্ষা বিভাগত ইতিমধ্যে পৰিৱৰ্তন হৈছে। ভাৰতৰ কেন্দ্ৰীয় কেবিনেটে ২০২০ চনৰ ২৯ তাৰিখে আৰম্ভ কৰা ভাৰতৰ




ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০(NEP২০২০)ত ভাৰতৰ নতুন শিক্ষা ব্যৱস্থা দৃষ্টিভংগীৰ ৰূপৰেখা দাঙি ধৰা হৈছে। এই নতুন নীতিয়ে পূৰ্বৰ ৰাষ্ট্ৰিয় শিক্ষা নীতি, ১৯৮৬ৰ ঠাই লয়।


এনেধৰণে ক'বলৈ গ'লে জনসংখ্যাৰ ওপৰতো পৰিবৰ্তন হৈছে। পূৰ্বতে ভাৰত বিশ্বৰ দ্বিতীয় বৃহত্তম জনসংখ্যাৰ দেশ আৰু চীন বিশ্বৰ প্ৰথম বৃহত্তম জনসংখ্যাৰ দেশ আছিল কিন্তু এপ্ৰিল মাহ ২০২৩ চনত ভাৰত বিশ্বৰ প্ৰথমখন সৰ্বাধিক জনসংখ্যাৰ দেশ হিচাপে পৰিগণিত হয়।

শিক্ষা বিভাগ আৰু জনসংখ্যাৰ লগতে ভাৰতৰ প্ৰযুক্তিৰ বিকাশৰ কথা নকলে নহ'ব। ভাৰতত প্ৰযুক্তি প্ৰযুক্তি পূৰ্বতকৈ বহু গুণে বিকাশ হ'ল। ভাৰতৰ বিকাশৰ বাবে ভাৰতৰ একাদশ ৰাষ্ট্ৰপতি আৰু মহাকাশ বিজ্ঞানী আভুল পাকিৰ জৈনুলাবদ্দিন আব্দুল কালামৰ বাবে বহুতো অৱদান দিছে। বেলিষ্টিক মিছাইল আৰু উৎক্ষেপণ বাহন প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত বহু গুণে সফল হৈছে। ইতিমধ্যে বাকি বিজ্ঞানীসকলেও ভাৰতৰ প্ৰযুক্তিৰ বিকাশৰ বাবে চেষ্টা কৰি আহিছে। অকল এয়াই নহয় ভাষা, কলা, সাহিত্য-সংস্কৃতি, আদিতো পৰিৱৰ্তন হৈছে।

ক'বলৈ গ'লে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে ভাৰতত নিৰ্বাচন হয় আৰু চৰকাৰখনে ভাৰতত পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰে।

আজিৰ দিনত বহু বস্তুৰেই পৰিৱৰ্তন হ'ব ধৰিছে। সেয়া শাক-পাচলিয়ে হওক, নিজৰ ঘৰৰ সা-সামগ্ৰীয়ে হওক বা অন্য কিবা বস্তুৰেই হওক সকলোখিনি বস্তুৰেই দাম হ'ব ধৰিছে। এনেতে মধ্যবিত্তয় পৰিয়ালে খুব দামৰ বস্তু কিনিবলৈ সক্ষম নহয়। তেওঁলোকৰ ঘৰ-সংসাৰ চলাবলৈ বহু কষ্ট হয়। এনেকৈ সংসাৰত পৰিৱৰ্তন হৈছে আৰু হৈয়ে থাকিব।

# ৰাজনৈতিক য'ত ন্যায় ক'ত ?



**শিল্পী দাস(প্ৰিয়),ৰাণীপুখুৰী,ভালুকমাৰী(হোজাই)**

ৰাজনৈতিক ৰাজনৈতিক ৰাজনৈতিক
দেশখন আজি ঘূণে ধৰা,
অসমীয়াৰ হিয়াৰ আমঠু হৈয়ো
অকালত সমাধি আত্মা।
ন্যায় বিচাৰি পাৰ হ'ল দুমাহ
তেনেই যাব যুগান্তৰ,
ন্যায় জানো পাব কোৱা ?
ক'ত সেই চৰকাৰ
ক'ত সেই সংবিধান
ক'ত আজি দালালৰ কথা ?
এটি শ্বাস অন্ত পেলালোঁ
বাকিবোৰ এৰি দিছোঁ যোৱা,
কাৰ কি ক্ষতি কৰিছে
ওলোটাই এটি অসম উপহাৰ দিছে
ঋণী আমি প্ৰতিজন অসমীয়া।
ছিঃ শব্দটো নগণ্য
লজ্জিত এটি ঘটনা,
দোষী জীয়াই আছে
জেলখনত গোপনে চলিছে
ৰাজহাট-সুবৰ্ণহাট;
আমি মূৰ্খ
শুই আছে আত্মা।
দহজন আজিও ন্যায় বিচাৰি আন্দোলন
এদিন তেনেই শূন্য হ'ব
ধূলিৰে আৱৰি পৰি থাকিব
হেৰাই যাব...
ন্যায় নোপোৱা এটি সত্তা।

# নিৰাপত্তাৰক্ষীয়ে

বিস্ফোৰণৰ সময়ত নবীয়েই চলাইছিল বাহনখন। ইতিমধ্যে ডিএনএ পৰীক্ষাত ওমৰৰ মৃতদেহ চিনাক্ত কৰা হৈছে। প্ৰাৰম্ভিক তদন্তত ওমৰ এজন আত্মঘাতী বোমাৰু বুলি প্ৰমাণিত হৈছে। ইফালে, দিল্লী বিস্ফোৰণত ওমৰ জড়িত হোৱা ঘটনাক লৈ পৰিয়াল হতবাক হৈ পৰিছে। অতি মেধাৱী ওমৰে পৰিয়ালটোৰ দৰিদ্ৰতা দূৰ কৰিবলৈ চেষ্টা চলোৱা বুলি পৰিয়ালৰ এগৰাকী সদস্যই সদৰী কৰিছে। কিতাপ পঢ়াৰ প্ৰতি প্ৰবল ধাউতি আছিল ওমৰৰ। কিন্তু পৰৱৰ্তী সময়ত সন্ত্ৰাসবাদী হৈ পৰা ওমৰে দিল্লীৰ কেইবাটাও স্থানত বিস্ফোৰণৰ পৰিকল্পনা কৰিছিল বুলি ধৃত চিকিৎসক মোজাম্মিলে প্ৰকাশ কৰিছে।

# নূপুৰ বৰাৰ বিৰুদ্ধে

বিৰোধিতাৰে উচ্চন্যায়ালয়ত আবেদন দাখিল কৰে। উল্লেখ্য যে দুদিন পূৰ্বে বিশেষ ন্যায়াধীশৰ আদালতে নূপুৰ বৰাক চৰ্ত সাপেক্ষে জামিন প্ৰদান কৰিছিল। তদন্তত সম্পূৰ্ণ সহযোগিতা কৰা, সাক্ষীৰ সৈতে যোগাযোগ কৰাৰ পৰা বিৰত থকা, আদালতৰ অনুমতি অবিহনে দেশ তথা নিজৰ অঞ্চল এৰি নোযোৱা আদি কেইবাটাও চৰ্তত নূপুৰ বৰাক বিশেষ ন্যায়াধীশৰ আদালতে জামিনত মুকলি কৰি দিছিল। কিন্তু ঠিক এদিনৰ পিছতেই বুধবাৰে মুখ্যমন্ত্ৰী তদাৰকী বিভাগে নূপুৰ বৰাৰ বিৰুদ্ধে ১২৫৪ পৃষ্ঠাৰ এখন অভিযোগনামা দাখিল কৰে, য'ত তেওঁৰ জ্ঞাত আয়ৰ উৎসতকৈ ৪৫৮.৬৪ শতাংশৰ ৰূপত অসমতাপূৰ্ণ সম্পত্তি ৰখাৰ গুৰুতৰ অভিযোগত অভিযুক্ত কৰা হৈছে। গ্ৰেপ্তাৰ হোৱাৰ ৫৮ দিনৰ পিছত ২৫/২৫নং গোচৰৰ অধীনত পঁপুৰ বৰাৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে মুখ্যমন্ত্ৰী তদাৰকী বিভাগে। অভিযোগৰ গুৰুত্ব আৰু তথাকথিত দুৰ্নীতিৰ কাণ্ডৰ সঠিক তদন্ত চলাবলৈ মুখ্যমন্ত্ৰী তদাৰকী বিভাগে নূপুৰ বৰাৰ জামিনৰ বিৰুদ্ধে উচ্চন্যায়ালয়লৈ যোৱাৰ সিদ্ধান্ত লৈছে বুলি বিভাগীয় সূত্ৰই সদৰী কৰিছে।

# পাঁচ গৰাকী ব্যক্তিক

উল্লেখনীয় অৱদান আগবঢ়োৱা ব্যক্তিক যোৱা ২০০৭ চনৰ পৰা প্ৰতি বছৰে কৃষ্ণচন্দ্ৰ গান্ধী বঁটা প্ৰদান কৰি আহিছে। এই বঁটা প্ৰদানৰ উদ্দেশ্য হৈছে জনজাতীয় অঞ্চলত শিক্ষা বিস্তাৰৰ দিশটোৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰা আৰু দুৰ্গম বা পাছপৰা অঞ্চলত কাম কৰি থকা স্বেচ্ছাসেৱক, সমাজ সংগঠক আৰু সামাজিক সংগঠনক অনুপ্ৰাণিত কৰা। জনজাতীয় অঞ্চলৰ শিক্ষা বিস্তাৰ তথা আৰ্থ-সামাজিক উন্নয়নৰ বাবে উল্লেখনীয় অৱদান আগবঢ়োৱা কোকৰাঝাৰ অঞ্চলৰ এক উল্লেখযোগ্য সামাজিক সংস্থা গুৰুদেৱ কালীচৰণ ব্ৰহ্ম ট্ৰাষ্টক এই বৰ্ষৰ কৃষ্ণচন্দ্ৰ গান্ধী বঁটাৰ বাবে মনোনীত কৰা হৈছে। এই বছৰ (২০২৫ বৰ্ষৰ) বঁটা প্ৰদান অনুষ্ঠানটি অহা ইং ১৫ নৱেম্বৰ ২০২৫ তাৰিখে কোকৰাঝাৰত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে উক্ত বঁটা প্ৰদান অনুষ্ঠানতে জনজাতি গৌৰৱ দিৱস কাৰ্যসূচীও ৰূপায়ণ কৰা হ'ব। এই উপলক্ষে পূৰ্বোত্তৰ জনজাতি শিক্ষা সমিতিৰ এক উপ সমিতি কৃষ্ণচন্দ্ৰ গান্ধী ফাউণ্ডেচনৰ তৰফৰ পৰা জনজাতি সমাজত শিক্ষা প্ৰচাৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰা পাঁচগৰাকী ব্যক্তিক জনজাতি গৌৰৱ সন্মান বঁটা প্ৰদান কাৰ্যসূচীও ৰখা হৈছে।

# গোলাঘাটত লৌহ মানৱ

আৰক্ষী অধীক্ষক গৰাকী, বিভিন্ন বিভাগীয় বিষয়া, সমাজকৰ্মী, নেশ্যনেল কেডেট কৰ্পছ (এনচিচি),নেশ্যনেল চাৰ্ভিচ স্কিম (এনএছএছ), স্কাউটছ আৰু গাইডছ, অসামৰিক প্ৰতিৰক্ষা বাহিনী, সচেতন নাগৰিক, সাংবাদিক, বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা গোলাঘাটবাসী ৰাইজসহ ১৫০০ৰো অধিক অংশগ্ৰহণকাৰী উপস্থিত আছিল। ঐক্য, অখণ্ডতা আৰু ৰাষ্ট্ৰীয় চেতনাৰে মুখৰিত পদযাত্ৰাটোৱে নগৰখনৰ বিভিন্ন পথ পৰিক্ৰমা কৰি গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পত সমাপ্ত হয়। পদযাত্ৰাৰ অন্তত এক সংক্ষিপ্ত অনুষ্ঠানত সকলো উপস্থিতজনে এটি একতা শপথ গ্ৰহণ কৰে, যাৰ পাছত এক সাংস্কৃতিক কাৰ্যসূচীও আয়োজন কৰা হয়। এই একতা পদযাত্ৰাৰ মূল উদ্দেশ্য আছিল দেশৰ একতা, অখণ্ডতা আৰু ভাতৃত্বৰ বোধ সুদৃঢ় কৰি লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ আদৰ্শ আৰু দেশপ্ৰেমৰ চেতনাক আগবঢ়োৱা।

# ৰাহুল গান্ধী য'তেই যায়

নিৰ্বাচনত প্ৰচাৰ অভিযান চলোৱাৰ সময়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰিছিল যে ৰাহুল গান্ধী যি সমষ্টিত প্ৰচাৰ অভিযান চলায়, তাত বিজেপিৰ জয় নিশ্চিত হয়। উক্ত কথাক দোহাৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয়-ৰাহুল গান্ধী য'তেই যায়, তাতেই বিজেপিৰ জয় হয়। দৰাচলতে ৰাহুল গান্ধী বিজেপিৰ আটাইতকৈ ডাঙৰ ষ্টাৰ কেম্পেইনাৰ। যদি ৰাহুল গান্ধী আহি যায়, বিজেপি জয়ী হোৱাটো নিশ্চিত। তেওঁ নিৰ্বাচনী প্ৰচাৰ চলালে আমি এশ শতাংশ জয়ী হোৱাটো নিশ্চিত হয়। আনহাতে বিহাৰ নিৰ্বাচনত প্ৰচাৰ চলাই বিজেপিৰ জয়ত মুখ্য ভূমিকা গ্ৰহণ কৰা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ চলোৱা ৭টা সমষ্টিৰ ৬টাতেই বিজেপিয়ে চমকপ্ৰদ জয়লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে বিহাৰ নিৰ্বাচনৰ ৭টা সমষ্টিৰ ভিতৰত মধুবনি, বাড়াৰী, কাছৱা, ৰামনগৰ, চানপাটিয়া, বাছপাট্টি সমষ্টিত বিজেপিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। এই ৬টা সমষ্টিত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰচাৰ চলাইছিল।

# ৮, ২০৬গৰাকী প্ৰাৰ্থীক নিযুক্তি

কৰে। অসমত প্ৰতিভাৰ অভাৱ নাই। এই প্ৰতিভাসমূহ চিনাক্ত কৰি উপযুক্ত শিক্ষা দিব পাৰিলে তেওঁলোকে বহুতো ভাল কাম কৰিব পাৰিব। শিক্ষকতাৰ কালছোৱাত একো একোটা মানৱ সম্পদ গঢ় দিব পাৰিলে সেয়া শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে ডাঙৰ প্ৰাপ্তি হ'ব। নিজৰ শিক্ষাৰ্থী সুৰুযৰ দৰে জিলিকি উঠিলে নিযুক্তি পোৱাতকৈও শিক্ষক-শিক্ষয়িত্ৰীসকলে অধিক আনন্দ পাব। আজিৰ প্ৰাপ্তিক দেশৰ বাবে, জাতিৰ হকে ব্যৱহাৰ কৰিবলৈ তেওঁ নিযুক্তিপ্ৰাপ্তসকলক আহ্বান জনায়। ৰাজহুৱা শিক্ষা ব্যৱস্থাক সঠিক দিশত আগবঢ়াই নি ৰাজ্যবাসীৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰিব পৰাটো এটা ডাঙৰ প্ৰত্যাহ্বান বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে ২০১১ চনৰ পূৰ্বে শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়াত ৰাজনৈতিক হস্তক্ষেপ চলিছিল। কলেজ শিক্ষকৰ নিযুক্তত স্বজন-তোষণ হৈছিল। ৰাজনৈতিক উদ্দেশ্যৰে শিক্ষকসকলক নিযুক্তি দিয়া হৈছিল। কলেজত এটা শিক্ষক পদৰ বিপৰীতে ২-৩জন শিক্ষক নিযুক্তি দিয়া হৈছিল। শিক্ষকৰ চাকৰিৰ মুকলি বজাৰ চলিছিল। শিক্ষক নিযুক্তি নিকা আৰু স্বচ্ছ কৰিব নোৱাৰিলে ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ মূল কাঠামো সোনকালে ভাগি পৰিব বুলি শংকা কৰি ২০১১ চনত শিক্ষামন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছত মহাবিদ্যালয়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়ম অনুসৰি আৰু প্ৰাথমিক, মাধ্যমিক, উচ্চতৰ মাধ্যমিক বিদ্যালয়ত টেটৰ জৰিয়তে শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰোঁতে শিক্ষক নিযুক্তি ব্যৱস্থাটোলৈ এটা জোকাৰণি অহাৰ কথা উল্লেখ কৰি তেওঁ এনেদৰে নিযুক্তি দিবলৈ যাওঁতে ৰাজনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বিষয়ে উল্লেখ কৰে। ২০১২ চনত এটা বিশাল ৰাজনৈতিক সংগ্ৰামৰ পিছত বিদ্যালয়ত আৰু কলেজত মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি দিবলৈ সক্ষম হৈছিল বুলি মন্তব্য কৰি তেওঁ কয় যে নিকা নিযুক্তি দিব নোৱাৰিলে ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংস হ'ব, অসম কেতিয়াও দেশৰ আগশাৰীৰ ৰাজ্য হ'ব নোৱাৰিব। প্ৰতিটো টেট পৰীক্ষাতে নিম্ন মধ্যবিত্ত আৰু দৰিদ্ৰ পৰিয়ালৰ যুৱক-যুৱতী উত্তীৰ্ণ হৈ শিক্ষক হিচাপে নিযুক্ত হৈছে। কলেজতো স্বচ্ছতাৰে নিযুক্তি দিয়া হৈছে। বিগত বিধানসভা নিৰ্বাচনত মেধাৰ ভিত্তিত ১ লাখ চৰকাৰী নিযুক্তিৰ প্ৰতিশ্ৰুতি দিয়াৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই সংখ্যা ৰ লাখ অতিক্ৰম কৰি আজি ১, ৩৪, ৯৯৯ গৰাকীলৈ বৃদ্ধি পাইছে। ইমান বৃহৎসংখ্যক পদত হোৱা নিযুক্তিৰ বিপৰীতে নিযুক্তিক লৈ এটাও দুৰ্নীতিৰ অভিযোগ উত্থাপন হোৱা নাই। এই নিযুক্তি প্ৰদান অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সমবায় মন্ত্ৰী যোগেন মহন, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন, মীনমন্ত্ৰী কৃষ্ণেন্দু পাল, সাংসদ বিজুলী কলিতা মেধি প্ৰমুখ্যে শিক্ষা বিভাগৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

# দিল্লী বিস্ফোৰণ সন্দৰ্ভত সামাজিক

হোজাইৰ নাছিম আক্ৰাম, কামৰূপৰ তাছলিম আহমেদ আৰু দক্ষিণ শালমাৰাৰ আব্দুৰ ৰহিম মোল্লা ওৰফে বাপ্পী হুছেইন। আনহাতে সন্ত্ৰাসবাদৰ সমৰ্থন বা হিংসাক প্ৰশ্ৰয় দিয়াসকলৰ বিৰুদ্ধে অসম আৰক্ষী আপোচহীন হৈ আছে বুলিও সদৰী কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে দিল্লীৰ বিস্ফোৰণৰ পিছত এই ঘটনাক আদৰণি জনাই সামাজিক মাধ্যমত মন্তব্য দিয়া লোকসকলক গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষীক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছিল। এই সন্দৰ্ভত ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা ৩৫জন লোকক চিনাক্ত কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰী কৰিছে। সংবাদ মাধ্যমৰ সৈতে হোৱা এক পৃথক সাক্ষাৎকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বহুতে এতিয়া নিজৰ পোষ্ট ডিলিট কৰিছে। কিন্তু আমি স্ক্ৰীনশ্বট লৈছোঁ আৰু তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেওঁ অভিযোগ কৰি কয় যে সেই একেটা গোটৰ লোকসকলেই জুবিন ক্ষেত্ৰত চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি এতিয়া দিল্লী বিস্ফোৰণক আদৰণি জনাই সামাজিক মাধ্যমত মন্তব্য কৰিছে। আনহাতে সামাজিক মাধ্যমযোগে কোনো লোকৰ ডিভাইচ ব্যৱহাৰ কৰি কোনো নাবালকে এনে মন্তব্য কৰিলে বা পোষ্ট কৰিলে সেই নাবালক গ্ৰেপ্তাৰ নহ'ব বুলি স্পষ্ট ঘোষণা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে।

# ৰাজ্য চৰকাৰৰ কেবিনেটে

বিভিন্ন ক্ৰীড়াৰ প্ৰশিক্ষণ আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুবিধা, ছুইমিং পুল নিৰ্মাণ আদিকে ধৰি বিভিন্ন সা-সুবিধা নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই প্ৰকল্পৰ বাবদ ৭৬৫ কোটি টকা ব্যয় হ'ব। আনহাতে কেবিনেটে আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা ৰাজহ চক্ৰৰ মাকুম মৌজাৰ অধীনস্থ লিডু-নামদাঙত ৯.৭ হেক্টৰ ভূমি সংৰক্ষিত বনাঞ্চল ৰূপে গঠন কৰাৰ প্ৰস্তাৱত অনুমোদন জনায়। কেবিনেট বৈঠকে আজি ২০২৬ চনৰ চৰকাৰী বিভাগৰ বন্ধৰ তালিকাখনত অনুমোদন জনায়। এই তালিকা অনুসৰি আগন্তুক বৰ্ষটোত ৩৫টা ৰাজপত্ৰিত বন্ধ, ৩৯টা সীমিত বন্ধ আৰু এদিন অৰ্ধছুটী মঞ্জুৰ কৰা হৈছে। ইয়াৰে ১৯টা ছুটী এন আই এক্টৰ অধীনত হ'ব। কেবিনেটে আজি ২০২৬ বৰ্ষৰ ৯ জুলাইৰ পৰা ১২ জুলাই নতুবা ২৩ জুলাইৰ পৰা ২৬ জুলাইলৈকে ৪ দিনকৈ ৰাজ্য চৰকাৰৰ বিষয়া- কৰ্মচাৰীৰ বাবে পিতৃ-মাতৃ বন্দনা আঁচনিৰ অধীনত ছুটীত অনুমোদন জনায়। কেবিনেটে ১৯৮৩ চনত নেলীত সংঘটিত হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে গঠিত ত্ৰিভুবন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদনখনৰ প্ৰতিলিপি ২৫ নৱেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া বিধানসভাৰ প্ৰথম দিনটোতে দাখিলৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ১৮ নৱেম্বৰৰ ওপজা দিনটোৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ৫৩টা স্থানত অনুষ্ঠিত হ'বলগীয়া ৰক্তদান শিবিৰত স্বাস্থ্য বিভাগৰ জৰিয়তে সহযোগিতা আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ বাবে কেবিনেটে স্বাস্থ্য বিভাগক দায়িত্ব অৰ্পণ কৰে।

# তেজপুৰত ২৪জন

পাৰপত্ৰ নথকাত এইপৰ্যন্ত সকলোকে তেজপুৰ সদৰ থানাতে ৰখা হৈছে। উল্লেখ্য যে অৰ্জুন সিং নামৰ ঠিকাদাৰে তেওঁলোকক অনা বুলি সদৰী কৰি এইসকল লোকে লগতে কয় যে অৰুণাচল প্ৰদেশৰ টেঙাত ম'বাইল টাৱাৰৰ কাম কৰিবলৈ তেওঁলোকক এইদৰে অনা হৈছে আৰু তেজপুৰত উপস্থিত হৈ ছুম' গাড়ীৰে অৰুণাচল প্ৰদেশলৈ যোৱাৰ বাবে তেওঁলোকে অপেক্ষা কৰি আছিল। স্মৰ্তব্য যে যোৱা বৃহস্পতিবাৰেও ইটাভাতাত কাম কৰিবলৈ অহা কোচবিহাৰৰ ৮০জন লোকক তেজপুৰ কছাৰীগাঁও আৰক্ষীয়ে আটক কৰি সোধা-পোছা কৰিছিল।

# ৪, ৫০০টা নিম্ন

নথি পৰীক্ষণৰ কাম আৰম্ভ হ'ব। প্ৰাথমিক শিক্ষা সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি প্ৰথমতে দিব্যাংগ প্ৰাৰ্থীসকলৰ বাবে সংৰক্ষিত হৈ থকা ৪০২টা পদৰ বিপৰীতে নথি পৰীক্ষণৰ কাম আৰম্ভ হ'ব। ইয়াৰ পাছত অন্যান্যসকলৰ নথি পৰীক্ষণৰ কাম আৰম্ভ হ'ব। দিব্যাংগ প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণৰ কাম কাহিলিপাৰাস্থিত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ত আৰম্ভ হ'ব। পৰৱৰ্তী সময়ত অন্যসকলৰ পৰীক্ষণৰ কাম আৰম্ভ হ'ব।

# বিহাৰৰ পাছত এইবাৰ

কংগ্ৰেছ আৰু লালুপ্ৰসাদ যাদৱৰ পৰিয়ালক কঠোৰ সমালোচনা কৰে। এইবাৰ বিহাৰত আৰজেডিৰ ভোট বেংক হিচাপে পৰিচিত মুছলমান আৰু যাদৱৰ সমীকৰণ সলনি হৈছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে দাবী কৰে। আৰজেডিয়ে মুছলমান আৰু যাদৱসকলৰ ওপৰতে ভৰসা কৰি আছিল। কিন্তু কাৰ্যতঃ বিৰোধী শিবিৰ বিধ্বস্ত হৈ পৰিছে এইবাৰৰ নিৰ্বাচনত। কেৱল ইমানেই নহয়, জেডিইউক বাদ দিও একক সংখ্যাগৰিষ্ঠ দল হিচাপে পৰিগণিত হোৱাৰ পথত অগ্ৰসৰ হৈছে বিজেপি। এইক্ষেত্ৰত মোদীৰ নতুন এমৱাই সমীকৰণে বিশেষ গুৰুত্ব লাভ কৰিলে। একপ্ৰকাৰ নতুন এমৱাই সমীকৰণত উটি গ'ল আৰজেডিৰ জংঘলৰাজ। মোদীৰ মতে মুছলমান-যাদৱৰ সমীকৰণৰ ঠাইত এইবাৰ মহিলা-যুৱতীৰ সমীকৰণে ঠাই পালে। এইবাৰৰ নিৰ্বাচনত বিহাৰৰ মহিলা আৰু যুৱক-যুৱতীসকলে জেডিইউ-এনডিএক ভোটদান কৰে। নীতিশ কুমাৰে মহিলাৰ বাবে আৰম্ভ কৰা সকলো আঁচনিয়ে এইবাৰ এনডিএক লাভান্বিত কৰিছে। জংঘলৰাজ আঁতৰাই নীতিশ কুমাৰে বিহাৰক উন্নয়নৰ দিশত আগুৱাই লৈ গৈছে বুলি দাবী কৰে প্ৰধানমন্ত্ৰীয়ে। দিল্লীৰ মুখ্য কাৰ্যালয়ৰ পৰা প্ৰদান কৰা ভাষণত প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছক 'মুছলিম লীগ মাওবাদী' বুলি অভিহিত কৰে। তেওঁ কয় যে বিহাৰত কেতিয়াও কংগ্ৰেছে শাসন কৰিব নোৱাৰে। তেওঁলোকৰ সৈতে যি দলেই মিত্ৰতা কৰিব তেওঁলোক নিঃশেষ হৈ যাব। কংগ্ৰেছ এতিয়া সকলো দলৰ বাবে বোজা হৈ পৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়- কংগ্ৰেছে ইভিএমক লৈ প্ৰশ্ন উত্থাপন কৰে। নিৰ্বাচন আয়োগক অপমান কৰে। দেশৰ শত্ৰুক কংগ্ৰেছে সমৰ্থন কৰে। কংগ্ৰেছ দলটোৰ ভাৰতৰ উন্নয়নৰ বাবে কোনো ইতিবাচক দৃষ্টিভংগী নাই। বিহাৰত এনডিএই অভিলেখ ৰচনা কৰা বুলি সদৰী কৰি মোদীয়ে কয়- নিৰ্বাচনত এনডিএই যিমান আসনত জয়ী হৈছে, সেয়া কংগ্ৰেছে বিগতছটা নিৰ্বাচনত লাভ কৰা আসনতকৈও অধিক।

# কোকৰাঝাৰত ৩০ বিঘা

প্ৰস্তুতি চলাইছে। কোকৰাঝাৰস্থিত গৌৰাং নৈৰ পাৰৰ এলআইচিঝাৰৰ আইটি পাৰ্কৰ সমীপত জুবিন গাৰ্গৰ জন্ম দিৱসৰ সৈতে সংগতি ৰাখি বিটিচিৰ পাঁচখন জিলাৰ পৰা ২৫ হাজাৰ শিল্পী তথা অনুৰাগীয়ে একেলগে অসমীয়া আৰু বড়ো ভাষাত পৰিৱেশন কৰিব জুবিন গাৰ্গৰ 'মায়াবিনী' গীত। তদুপৰি বিটিচি প্ৰশাসনৰ উদ্যোগত প্ৰায় ৩০ বিঘা ভূমিত নিৰ্মাণ কৰা হ'ব জুবিন গাৰ্গ উদ্যান। উল্লেখ্য যে জুবিন গাৰ্গৰ জন্মদিনতে অৰ্থাৎ ১৮ নৱেম্বৰতে এলআইচিঝাৰত জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা স্থাপন কৰা হ'ব। বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰীয়ে আধাৰশিলা স্থাপন কৰিব। বিটিচি প্ৰশাসনৰ উদ্যোগত জাকজমকতাৰে উদযাপন কৰিবলগীয়া জুবিন গাৰ্গৰ ৫৩সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি ৫৩ডাল নাহৰ গছৰ পুলি ৰোপণ কৰা হ'ব। প্ৰতিদিনে পূৰ্ণগতিত শতাধিক শ্ৰমিকে ট্ৰেক্টৰ, জেচিবিৰে দিনে-নিশাই কাম কৰি আছে। নিৰ্মাণ হৈ আছে এক বিশাল মঞ্চ। ১৮ নৱেম্বৰৰ কাৰ্যসূচী অনুসৰি জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে পুৱা ৯.৩০ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি, ৯.৪৫ বজাত ৰক্তদান শিবিৰ, ১০.১৫ বজাত জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা স্থাপন, ১০.৩০ বজাত ৫৩ডাল নাহৰ গছৰ পুলি ৰোপণ, বিয়লি ২ বজাত সাংস্কৃতিক কাৰ্যসূচী, ৩.৩০ বজাত মমবাতি প্ৰজ্বলন আৰু ৪ বজাত ২৫ হাজাৰ শিল্পী-অনুৰাগীৰ দ্বাৰা 'মায়াবিনী' গীত পৰিৱেশন কৰা হ'ব। জুবিন গাৰ্গৰ জন্মদিন আৰু উদ্যানৰ আধাৰশিলা স্থাপন উপলক্ষে কোকৰাঝাৰৰ মূল ৰাস্তাৰ পৰা আইটি পাৰ্কলৈ যোৱা ৰাস্তা-ঘাট চাফ-চিকুণ কৰাৰ লগতে পথৰ দুয়োকাষে থকা বেৰত জুবিন গাৰ্গৰ বিভিন্ন প্ৰতিচ্ছবি অংকন কৰা হৈছে। বেৰত লগোৱা হৈছে নতুনকৈ ৰং। সমগ্ৰ ঠাইডোখৰক নতুন ৰূপ দিয়া হৈছে। এই সন্দৰ্ভত এক সংবাদ মেলত আয়োজক সমিতিৰ অধ্যক্ষ তথা বিটিচিৰ পাৰিষদ যুৱিৰাজ বসুমতাৰীয়ে কয় যে ১৮ নৱেম্বৰত জুবিন গাৰ্গৰ জন্মদিন উদযাপন কৰাৰ লগতে প্ৰায় ৩০ বিঘা ভূমিত জুবিন গাৰ্গ উদ্যান নিৰ্মাণ কৰা হ'ব। লগতে ১৮ নৱেম্বৰতে জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা স্থাপন কৰা হ'ব। সংবাদ মেলত যুৱিৰাজ বসুমতাৰীয়ে কয় যে বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে কথা দিয়া মতেই জুবিন গাৰ্গ উদ্যান অহা ১৮ নৱেম্বৰত অৰ্থাৎ মহান শিল্পী জুবিনৰ জন্মদিনটোতে উদ্যানৰ আধাৰশিলা স্থাপন কৰা হ'ব আৰু অনুষ্ঠানৰ মূল কাৰ্যসূচীত 'মায়াবিনী' গীতটি গোৱা হ'ব।

# ইডেন গাৰ্ডেনত চলি

২৯ আৰু কবিন ব'চে ১ ৰান কৰি ক্ৰিজত আছে। আলহী দলটোৱে দলীয় স্ক'ৰ ১৮ ৰানত প্ৰথমটো উইকেট হেৰুওৱাৰ পাছতে বিপৰ্যয়ৰ সন্মুখীন হয়। জাদেজা আৰু কুলদীপৰ স্পীনত দক্ষিণ আফ্ৰিকাৰ কোনো এজন বেটাৰে ক্ৰিজত অধিক সময় তিষ্ঠিব নোৱাৰিলে। অপেনাৰদ্বয় ৰিয়ান ৰিকেলটনে ৰৰ আৰু মাৰ্কৰামে ৪ ৰান কৰাৰ বিপৰীতে মুল্ডাৰে ১১, জৰ্জিয়ে ২, ষ্টাবছে ৫, ভেৰেনিয়ে ৯ আৰু জানছেনে ১৩ ৰানত বিদায় লয়। ভাৰতীয় দলটোৰ হৈ জাদেজাই ৪টা উইকেট লাভ কৰাৰ লগতে কুলদীপে দুটা আৰু অক্ষৰ পেটেলে এটা উইকেট লাভ কৰে।

# সাধাৰণ জনতাৰ ক্ষোভৰ

আহিছে। ভাৰতৰ ওপৰতো ট্ৰাম্প প্ৰশাসনে অতিৰিক্ত ৫০ শতাংশলৈকে শুল্ক আৰোপ কৰিছে। ইয়াৰ ফলত বহু দেশৰ সৈতে আমেৰিকাৰ বাণিজ্যত আঘাত পৰিছে।

# বিহাৰত এনডিএৰ ছুনামিত বিধ্বস্ত

যুঁজৰ নেতা হিচাপে নীতিশ কুমাৰক এনডিএৰ তৰফৰ পৰা প্ৰক্ষেপ কৰিলেও মুখ্যমন্ত্ৰীৰ পদৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হোৱা নাছিল। কিন্তু বিহাৰৰ ৰাজনীতিত শেহতীয়া চৰ্চা অনুসৰি বিজেপিয়ে একক বৃহত্তম দল হ'লেও মিত্ৰ জেডি (ইউ)ৰ মুৰব্বী নীতিশ কুমাৰকে পুনৰবাৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰিব। যদি সেয়াই সঁচা হয় নীতিশ কুমাৰেই পুনৰ বিহাৰৰ মুখ্যমন্ত্ৰী হোৱাৰ এশ শতাংশ সম্ভাৱনা আছে। ইয়াৰ বিপৰীতে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ পৰা ৰাহুল গান্ধী-প্ৰিয়ংকা গান্ধীলৈ বহুকেইজন শীৰ্ষ নেতাই বিহাৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছিল যদিও শোচনীয়ভাৱে মুখথেকেঁচা খাবলগীয়াহে হ'ল। স্বাধীনতাৰ পিছত ৫ দশকতকৈও অধিককাল দেশৰ শাসনত থকা দলটোৱে এইবাৰ বিহাৰত মাত্ৰ ৬খন আসনত জয়ী-অগ্ৰগতি লাভ কৰিছে। বিগত ২০০০ চনৰ নিৰ্বাচনৰ তুলনাত ৰখন আসন হেৰুৱাবলগীয়া হৈছে দলটোৱে। একেই অৱস্থা মহাগোটবন্ধনক নেতৃত্ব দিয়া আৰজেডি দলৰ। আৰজেডিয়ে ২৫খন আসনত জয়ী-অগ্ৰগতি লাভ কৰাৰ পৰিবৰ্তে বিগত নিৰ্বাচনতকৈ ৫০টা সমষ্টি কমকৈ লাভ কৰিছে। বাঁও শিবিৰৰ অৱস্থা একেই। চিপিআইএমএল দুখনত, চিপিএম এখনত আৰু আইপিপিয়ে এখন আসনতহে ক্ষান্ত থাকিবলগীয়া হয়। এইবাৰৰ বিহাৰৰ নিৰ্বাচনত ভোটাৰ তালিকাত বিশেষ ব্যাপক পুনৰীক্ষণ (এছআইআৰ) ৰ প্ৰভাৱ পৰিব বুলি পূৰ্ণ ধাৰণা কৰা হৈছিল। কিয়নো এছআইআৰৰ ফলত নিৰ্বাচনৰ প্ৰাক্ক্ষণত ৰাজ্যখনৰ ভোটাৰ তালিকাৰ পৰা কৰ্তন হৈছিল প্ৰায় ৩০ লাখ লোকৰ নাম। যিটোক বিৰোধীয়ে ইছু কৰি লৈছিল। কিন্তু বাস্তৱত এছআইআৰৰ কোনো প্ৰভাৱ পৰা পৰিলক্ষিত নহ'ল। মন কৰিবলগীয়া যে মহাগোটবন্ধনে এইবাৰ তেজস্বী যাদৱক মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছিল। কিন্তু ভোটগণনাৰ সময়ছোৱাত ৰাঘোপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা তেজস্বী যাদৱে একাধিকবাৰ পিছ পৰিবলগীয়া হৈছিল। অৱশ্যে শেষ মুহূৰ্তত তেওঁ জয়ী হয়। মহুৱা সমষ্টিত জেএছজেডিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা লালু প্ৰসাদ যাদৱৰ আন এজন পুত্ৰ তেজ প্ৰতাপ যাদৱ পৰাজিত হৈছে। মুঠ ২৭টা বিধানসভা সমষ্টি থকা অংগ প্ৰদেশৰ ২৬টাতে এনডিএৰ প্ৰাৰ্থী জয়ী হোৱাৰ বিপৰীতে মাত্ৰ এখনহে আসন লাভ কৰে মহাগোটবন্ধনে। সেইদৰে ৪৬টা সমষ্টি থকা ভোজপুৰৰ ৩৯টাত এনডিএ, ৬টাত মহাগোটবন্ধন আৰু এটাত অন্যান্য বিজয়ী হয়। মগধৰ ৪৭টা সমষ্টিৰ ভিতৰত এনডিএই ৩৭টা আৰু মহাগোটবন্ধনে ১০টা লাভ কৰিছে। মিথিলাঞ্চলৰ ৫০টা সমষ্টিৰ ভিতৰত এনডিএই ৪১টাত জয়ী হোৱাৰ বিপৰীতে ৯টা গৈছে মহাগোটবন্ধনলৈ। সীমাঞ্চলত আছে মুঠ ২৪টা সমষ্টি। ইয়াৰে ১৪টাত এনডিএ, ৫টাত মহাগোটবন্ধন আৰু আন ৫টাত অন্যান্য বিজয়ী হৈছে। টিৰহুতৰ ৪৯টা সমষ্টিৰ ভিতৰত ৪৫টাত এনডিএ জয়ী হোৱাৰ বিপৰীতে মাত্ৰ ৪টাহে মহাগোটবন্ধনে লাভ কৰে। এইবাৰৰ নিৰ্বাচনত বহুকেইজন ৰথী-মহাৰথীৰ জয়-পৰাজয় ঘটিছে। আলীনগৰ সমষ্টিৰ পৰা বিজেপিৰ মৈথেলী ঠাকুৰ, কাটিহাৰৰ পৰা বিজেপিৰ তাৰা কিশোৰ প্ৰসাদ, চৰাইৰঞ্জনৰ পৰা জেডিইউৰ বিজয় কুমাৰ চৌধুৰী, বানকীপুৰৰ পৰা বিজেপিৰ নীতিন নবীন, নালন্দাৰ পৰা জেডি (ইউ)ৰ চৰণ কুমাৰ, মোকামাৰ পৰা জেডি (ইউ)ৰ অনন্ত কুমাৰ সিং, গয়া টাউনৰ পৰা বিজেপিৰ প্ৰেম কুমাৰ, জামুলীৰ পৰা বিজেপিৰ শ্ৰেয়সী সিং, বেটিয়াহৰ পৰা বিজেপিৰ ৰেণু দেৱী জয়ী হোৱাৰ বাতৰি পোৱা গৈছে। ইয়াৰ বিপৰীতে ধামদাহাত আৰজেডিৰ সন্তোষ কুমাৰ, জনজহাৰপুৰত চিপিআইৰ ৰাম নাৰায়ণ যাদৱ, জামুইত আৰজেডিৰ মহম্মদ ছামছদ আলম, ইমামগঞ্জত আৰজেডিৰ ঋতুপ্ৰিয়া চৌধুৰী, দানাপুৰত আৰজেডিৰ ৰিটলাল ৰয়, তাৰাপুৰত আৰজেডিৰ অৰুণ কুমাৰ পৰাজিত হৈছে। লক্ষণীয়ভাৱে অসমত ইতিপূৰ্বে আইপিএছ বিষয়া হিচাপে সেৱা আগবঢ়োৱা আনন্দ মিশ্ৰই বিজেপিৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি বাক্সাৰ সমষ্টিৰ পৰা জয়ী হ'বলৈ সক্ষম হয়। ইফালে, বিহাৰৰ নিৰ্বাচনত সফলতা অৰ্জন কৰাৰ পাছতেই দেশজুৰি উল্লসিত হৈ পৰে বিজেপি কৰ্মীসকল।

# ENGLISH NEWS SECTION

## Raj Bhavan Assam celebrates Jharkhand foundation day



Guwahati,RB News: Raj Bhavan Assam, under the guidance of Governor Shri Lakshman Prasad Acharya, celebrated the foundation day of Jharkhand as part of the Ek Bharat Shreshtha Bharat initiative in Raj Bhavan. This national programme, envisioned by the Prime Minister and the union Home Minister, aims to strengthen cultural bonds and foster unity among India's diverse states. The event was attended by Commissioner & Secretary to the Governor, S. S. Meenakshi Sundaram, senior Raj Bhavan officials, and distinguished representatives from Jharkhand. The celebration also coincided with Janjatiya Gaurav Divas observed on the birth anniversary of Bhagwan Birsa Munda to honour the contributions of tribal freedom fighters and acknowledge the rich legacy of India's tribal communities. As a mark of reverence, floral tributes were offered to Dharti Abba Bhagwan Birsa Munda on his 150th birth anniversary. Addressing on the occasion, Commissioner and Secretary to the Governor, S. S. Meenakshi Sundaram highlighted the profound influence of Bhagawan Birsa Munda that connects India's tribal communities. He said that the birth anniversary of Birsa Munda serves as a platform for cultural reflection, exchange, and celebration.

## Jadeja completes 4,000 Test runs



RB News: India all-rounder Ravindra Jadeja surpassed the 4,000-run mark in Tests during the first Test match against South Africa. With this, Jadeja has become the second Indian and fourth player overall to amass 4,000 runs and 300 wickets in Tests. He achieved the feat in his 87th Test match. Ex-Indian captain Kapil Dev has 5,248 runs and 434 wickets in Tests.

## Tim Southee appointed KKR bowling coach for 2026 IPL season



RB News: Kolkata Knight Riders announced the signing of Tim Southee as their bowling coach for Indian Premier League (IPL) 2026. The former New Zealand fast bowler, who retired from international cricket in 2014, will replace ex-India bowling coach Bharat Arun for the three-time champions. This marks a meaningful homecoming for Southee, who previously represented the franchise as a player. Southee, who retired from international cricket in 2024, has been steadily stepping into coaching roles.

## Shardul traded to MI in all-cash deal



RB News: LSG all-rounder Shardul Thakur is all set to represent MI, following a trade between the two franchises. The Mumbai-based all-rounder was picked up by LSG for 2 crore as an injury replacement for IPL 2025, wherein he featured in 10 games. The all-rounder has been traded to MI for his existing player fee of 2 crore.

## Veteran actress Kamini Kaushal passes away




RB News: Veteran actress Kamini Kaushal has passed away aged 98. Her demise marks the end of a remarkable era in Indian films, where she shone as a symbol of talent and grace. She had won the Filmfare Best Actress award in 1956 for 'Biraj Bahu'. Kamini also played a notable role in 1946 film 'Neecha Nagar', which is the only Indian film to win the Palme d'Or award at Cannes Film Festival. Her last two films were 'Kabir Singh' and 'Laal Singh Chaddha'.

## Sanju Samson joins Chennai Super Kings





RB News: Chennai Super Kings and Rajasthan Royals have finalised a major trade deal involving their star players. RR captain Sanju Samson has been traded to CSK in exchange for all-rounders Ravindra Jadeja and Sam Curran ahead of IPL 2026, in one of IPL's biggest trade deals. Jadeja is returning to RR after 16 years. Notably, Jadeja and Samson were retained by CSK and RR for 18 crore each before IPL 2025 mega auction.

## Anupama Ramachandran wins India's 1st women's World Snooker title




RB News: India's Anupama Ramachandran created history on Thursday by becoming the first Indian woman to win the IBSF World Snooker (15-red) Championship, defeating Hong Kong's Ng On Yee 3–2 in a gripping final held in Doha. The 23-year-old kept her composure in a seesaw contest against the three-time world champion, showcasing resilience and precision under pressure. This victory follows her 2024 Asian Snooker Championship title, cementing her rise as a top world player.

## Sherfane Rutherford traded to Mumbai Indians from Gujarat Titans



RB News: West Indies al rounder Sherfane Rutherfo will turn out for the Mumb Indians in the upcoming II 2026 season after being trad from the Gujarat Titans. T move was confirmed by t league in an official stateme on Thursday. Rutherford, w was acquired by GT for 2.6 crore at the IPL 2025 auction, will move to MI at his existing fee. Rutherford was part of MI squad in 2020 but didn't play any matches that season.

# ভাগ্য ওপৰত বিশ্বাস কৰি একো লাভ নাই

পেলাব্ পাৰে আৰু আপুনি প্ৰতিটো কাম কৰোঁতে যদি অসফল হয় এইষাৰ কথাকে মনলৈ আনিব। তাৰ ফলত আপোনাৰ দ্বাৰা সকলো কামেই আধৰুৱা নাইবা আপুনি বিফলতাৰ হোৱাৰ পিছত যুঁজিবলৈ বাদ দিব। জীৱনত সফল হোৱা প্ৰতিজন লোকেই অসফলতা দেখিছে আৰু পুনৰ যুঁজিব শিকিছে তাৰফলত নিজৰ ভাগ্য নিজেই লিখিছে।

একোজন খেলুৱৈয়ে খেলপথাৰত নমা আগতেই যদি ভাৱে মই হাৰিম বা ভাগ্যত যি আছে তাকে হ'ব তেতিয়া তেওঁ কোনোদিনে জয়ী হ'ব নোৱাৰে কাৰণ তেওঁ যুদ্ধ আৰম্ভ হোৱাৰ আগতেই মানসিকভাৱে পৰাজয় স্বীকাৰ কৰিছে। ভাগ্যক ধীৰাই থকাতকৈ নিজৰ ক্ষমতা উন্নয়ন, অভ্যাস, অধ্যয়ন, অধ্যৱসায় আৰু পৰিশ্ৰমক নিয়মিত অনুশীলন কৰিব লাগিব। তেতিয়াহে সফলতাৰ শিখৰলৈ বগাব পাৰিব।

আমি যেতিয়া নিজকে কওঁ "ভাগ্যত নাই চাগে।" তেতিয়া আমাৰ মগজুৱে কয় " হয়, আমি নোৱাৰিম আৰু মোৰ দ্বাৰা নহ'ব একো।" এনে চিন্তা আৰু মানসিকতাই আমাৰ শক্তিবোৰক মৃত্যু ঘটায়। পিছত আমি কৰ্ম আৰম্ভ কৰিলেও আমাৰ মনত ভয় আৰু দ্বিধাই মনটোক ঢাকি পেলাই ফলত আমি সদায় নিজৰ ভাগ্যখনকে দোষ দি কৰ্মৰ পৰা গা এৰা দিওঁ। এই পৃথিৱীত হাজাৰজন মানুহ আছে কিন্তু সফলতা সকলোৰে পঢ়োৱা নাই যিজনে সফলতা পাইছে তেওঁলোকে ভাগ্যৰ বাবে অপেক্ষা নকৰে, ভাগ্য তেওঁলোকে নিজেই লিখে।

জীৱনত যদি সফল হ'ব বিচাৰিছে ভাগ্যৰ বাবে অপেক্ষা নকৰিব, পৰিস্থিতিৰ ওপৰত অভিযোগ নানিব, অফলতা দেখি ভয় বা পিছুৱাই নাহিব, আনক কেতিয়াও দোষ নিদিব। প্ৰথমে নিজক বিশ্বাস কৰক আৰু নিজকে কৰ্মত মনোনিৱেশ কৰক। ভাগ্য কোনো বিধাতাই কপালত লিখা শব্দ নহয়। ভাগ্য হৈছে কপালৰ ঘাম, পৰিশ্ৰম, ধৈৰ্য্য আৰু মনোবলৰ একোটা সংমিশ্ৰণ। ভাগ্যক ধিৰাই বহি থাকি একো লাভ নাই যেতিয়ালৈকে আমি আগবাঢ়ি নাযাওঁ।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286